**সীমা বিশ্বাসলৈ আইদেউ সন্দিকৈ বঁটা**

ই-সংবাদ, ৪ ডিচেম্বৰঃ অসমৰ জীয়ৰী, বোলছবি আৰু নাটকৰ বিশিষ্ট অভিনেত্ৰী সীমা বিশ্বাসক ৪ পৃষ্ঠাত চাওক

www.newsnextone.com


# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, DECEMBER 5, 2024 ■ বৃহস্পতিবাৰ, ১৯ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৩২ Guwahati, Assam ।। মূল্যঃ এটকা

### এঠাইত খননৰ অনুমতি লৈ ২৫ ঠাইত খনন

## বিজেপি নেতাৰ বিৰুদ্ধে মহানগৰীৰ বহু অঞ্চলত পাহাৰ ধ্বংসৰ অভিযোগ আছুৰ



**ই-সংবাদ, গুৱাহাটী, ৪ ডিচেম্বৰঃ** গুৱাহাটী মহানগৰীৰ জনাঞ্চলত কেতিয়াবা হৰিণা, কেতিয়া পহু আৰু কেতিয়াবা ঢেকীয়াপতীয়াই মুক্ত বিচৰণ কৰে। পাহাৰসমূহ ধ্বংস কৰাৰ শেষাংশ ৩ পৃষ্ঠাত

## সম্পাদক আৰু পুঁজিবাদ

■ শোণিত কুমাৰ গোস্বামী

শাণিত কলম



**ফেচবুক** বা অন্য সামাজিক মাধ্যম অহাৰ পাছত আমাৰ আশে পাশে দেখাক দেখি 'নাগৰিক সাংবাদিকৰ' সংখ্যা শেষাংশ ২ পৃষ্ঠাত

### যিকোনো মুহূৰ্তত হেৰুৱাব পদ

## সামৰিক আইন জাঁপি দিবলৈ গৈ বিপদত পৰিছে দঃ কোৰিয়াৰ ৰাষ্ট্ৰপতি



**ছিউল, ৪ ডিচেম্বৰঃ** ক্ৰমাৎ জটিল হৈ পৰা দক্ষিণ কোৰিয়াৰ ৰাজনৈতিক পৰিস্থিতিত ক্ষমতা হেৰুওৱাৰ শংকাই ঘেৰি ধৰিছে ৰাষ্ট্ৰপতি ইউন চুক-ইয়েওলক। শেষাংশ ৪ পৃষ্ঠাত

### চামগুৰিৰ গো-মাংস বিতৰ্কৰ পিছতে অনলাইনযোগে কেবিনেটত হিমন্তৰ সিদ্ধান্ত

# ৰাজ্যত নিষিদ্ধ হ'ল গো-মাংস



■ বিৰোধিতাৰ পৰিৱৰ্তে কংগ্ৰেছক পাকিস্তানলৈ যাবলৈ ক'লে মন্ত্ৰী পীয়ুষে

■ গুজৰাট, ৰাজস্থানৰ শাৰীত অসম

**ই-সংবাদ, ৪ ডিচেম্বৰঃ** অসমত গো-মাংসক ৰাজহুৱা স্থানত খাদ্য হিচাপে গ্ৰহণ কৰাত বাধা আৰোপ কৰাৰ সিদ্ধান্ত লৈছে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে। এই শেষাংশ ৬ পৃষ্ঠাত

### এইবাৰ হিলিব কোন?

## ৭ ডিচেম্বৰত লিলিত বিৰোধীৰ বহিব বৈঠক



**ই-সংবাদ, ৪ ডিচেম্বৰঃ** অসম সন্মিলিত মৰ্চাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক ৭ ডিচেম্বৰত হোটেল লিলিত অনুষ্ঠিত হ'ব। উপ-নিৰ্বাচনৰ শেষাংশ ৩ পৃষ্ঠাত


## ভূপেন বৰাৰ আহ্বানলৈ দিলে সঁহাৰি, কংগ্ৰেছ দলৰে যুদ্ধবিৰতি অখিল গগৈৰ



**ই-সংবাদ, ৪ ডিচেম্বৰঃ** ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে বিজেপিৰ বিৰুদ্ধে ৰাইজক সজাগ কৰিবৰ বাবেহে কংগ্ৰেছ দলৰ হঠকাৰী সিদ্ধান্তবোৰ শেষাংশ ৩ পৃষ্ঠাত

### যোগীৰ আৰক্ষীয়ে দিলে বাধা

## সম্ভললৈ যোৱা নহ'ল ৰাহুল গান্ধীৰ



**নতুন দিল্লী, ৪ ডিচেম্বৰঃ** উত্তৰ প্ৰদেশৰ সম্ভল এতিয়া উত্তেজনাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। মছজিদৰ জৰীপক কেন্দ্ৰ কৰি শেষাংশ ৪ পৃষ্ঠাত

## ইছ্যু ডাইভাৰ্ট কৰিছেঃ গৌৰৱ

**ই-সংবাদ, ৪ ডিচেম্বৰঃ** কংগ্ৰেছ নেতা গৌৰৱ গগৈয়ে অসম কেবিনেটে শেষাংশ ৫ পৃষ্ঠাত

## গুৰুত্ব দিবই নালাগেঃ ৰফিকুল

**ই-সংবাদ, ৪ ডিচেম্বৰঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কেবিনেটে ৰাজ্যত গোমাংস নিষিদ্ধ ঘোষণা কৰি সিদ্ধান্ত শেষাংশ ২ পৃষ্ঠাত


## বেংকৰ চাকৰিত ৬০০টা পদত ৩৬০ জনেই বাহিৰৰ

### জাতীয় যুৱ বাহিনীৰ দাবী

**ই-সংবাদ, গুৱাহাটী, ৪ ডিচেম্বৰঃ** ৰাইজৰ দলৰ ভাতৃ সংগঠন জাতীয় যুৱ বাহিনীয়ে বিজেপি দলৰ বিৰুদ্ধে উত্তৰ পূৰ্বাঞ্চল তথা অসমৰ নিবনুৱাক বঞ্চিত কৰাৰ শেষাংশ ৪ পৃষ্ঠাত

### আৰক্ষী-ৰাইজৰ হস্তক্ষেপত পৰিস্থিতি নিয়ন্ত্ৰণ

## মাটি দখলৰ ঘটনাক কেন্দ্ৰ কৰি উত্তপ্ত লাহৰীঘাট



**ই-সংবাদ, লাহৰীঘাট, ৪ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ দেৱাগুৰিত মাটি দখলক কেন্দ্ৰ কৰি আজি এক শেষাংশ ৫ পৃষ্ঠাত

## প্ৰদ্যুৎ বহিব প্ৰিয়ংকাৰ কাষত, বাঢ়িব প্ৰভাৱ!

### অন্য এক বেণুগোপাল

**ই-সংবাদ, ৪ ডিচেম্বৰঃ** দিল্লীত প্ৰভাৱ বৃদ্ধি হৈছে অসমৰ পৰা জয়ী হৈ যোৱা কংগ্ৰেছ সাংসদৰ। যোৰহাটৰ শেষাংশ ৫ পৃষ্ঠাত

# সম্পাদক আৰু পুঁজিবাদ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

বৃদ্ধি হৈছে। সমাজত দেখি থকা যিকোনো কথা, ঘটনা বা অনুষ্ঠানক নাগৰিকৰূপী সাংবাদিকে ডিজিটেল মাধ্যমত প্ৰকাশ কৰে। প্ৰতিজন নাগৰিকে সমাজত যি দেখিছে বা যি বুজিছে সেয়া নিজৰ সামাজিক মাধ্যমৰ দেৱালত প্ৰকাশ কৰি আহিছে। বিগত দশকটোত ভাৰতীয় সমাজত এই ধাৰা বনজুইৰ দৰে বিয়পি পৰিছে। এই গোটেই প্ৰক্ৰিয়াটোত অৱশ্যে চেকনি বিহীন এক সাংবাদিকতাৰ ধাৰা সৃষ্টি হৈছে মানে ৰাইজে যি পাইছে সেয়া তেনেকৈ প্ৰকাশ কৰাৰ ফলত অৰাজক পৰিস্থিতিৰো উদ্ভৱ নোহোৱা নহয়। পৰম্পৰাগত সাংবাদিকতাক এগৰাকী সম্পাদকৰ উপস্থিতিয়ে যেনেকৈ বাতৰিৰ মান নিৰ্ধাৰণত সহায় কৰে ঠিক তেনেকৈ ডিজিটেল সামাজিক মাধ্যমত কোনো সম্পাদকৰ উপস্থিতি নথকাত গোটেইখন একেবাৰে মাছৰ বজাৰ হৈ পৰিছে। অৱশ্যে সময় বাগৰাৰ লগে লগে ৰাইজ কেতবোৰ ক্ষেত্ৰত অভিজ্ঞ হৈ পৰিছে। এতিয়া একাংশ ৰাইজে সামাজিক মাধ্যমত চলা বাতৰিবোৰ বা কথাবোৰৰ ক্ষেত্ৰত কোনটো মিছা বা কোনটো সঁচা সেয়া নিৰ্ধাৰণ কৰিবলৈ সক্ষম হৈছে।

এতিয়া আহিছোঁ মূল প্ৰসংগলৈ! পৰম্পৰাগত সংবাদ মাধ্যম যেনে বাতৰি কাকত, টিভি, আলোচনী আদিবোৰৰ ক্ষেত্ৰত এগৰাকী বা ততোধিক যোগ্য সম্পাদকৰ উপস্থিতিৰ কথা আমি সকলোৱে জানোঁ। পেছাটোৰ প্ৰতি দায়বদ্ধ বা প্ৰয়োজনীয় শিক্ষা গ্ৰহণ কৰি কৰ্মক্ষেত্ৰলৈ আগবঢ়া এই সম্পাদক মণ্ডলীয়ে সংবাদ প্ৰতিষ্ঠানটোলৈ অহা বাতৰিবোৰ পৰ্যালোচনা কৰি অৰ্থাৎ চেকনীত চেকি চেকি মূল মূল কেইটামান বাতৰি জনতাৰ বাবে আগবঢ়াই। সম্পাদক মণ্ডলীৰ সিদ্ধান্তই সমাজত এক জনমত সৃষ্টি কৰিবলৈ সক্ষম হয়। এই জনমতৰ ভিত্তিতেই সমাজত কেতবোৰ ঘটনাই বিশেষ গতি লাভ কৰে। ইংৰাজী শব্দযুগল Opinion Maker হৈছে এই সংবাদ মাধ্যম। অসমৰ ক্ষেত্ৰত ৯০ৰ দশকটোলৈ কেৱল বাতৰি কাকত মুখ্য মাধ্যম আছিল আৰু তাৰ পাছত এই শতিকাৰ প্ৰথমটো আৰু দ্বিতীয়টো দশকৰ মাজভাগলৈ টিভি মাধ্যমে মুখ্য ভূমিকা পালন কৰিছিল। অৱশ্যে এতিয়াও টিভি আৰু কাকত-আলোচনীয়ে মতামত গঢ় লোৱাৰ ক্ষেত্ৰত ভূমিকা পালন কৰি আহিছে যদিও ডিজিটেল মাধ্যমৰ (সামাজিক মাধ্যম) পৰা বিশেষ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ বাধ্য হৈছে।

ভাৰতবৰ্ষত বৰ্তমানলৈ ৮২০ মিলিয়ন (১০০ মিলিয়ন=১০ কোটি) ইণ্টাৰনেটৰ ব্যৱহাৰ কৰা লোক আছে (২০২৪ চনলৈ পোৱা তথ্যমতে)। অৰ্থাৎ দেশৰ প্ৰায় আধা সংখ্যক জনতাই এতিয়া ইণ্টাৰনেট ব্যৱহাৰ কৰে। এনে প্ৰেক্ষাপটত পৰম্পৰাগত সংবাদ মাধ্যমবোৰো (প্ৰতিষ্ঠিত টিভি চেনেল আৰু বাতৰি কাকতবোৰ) ডিজিটেল মাধ্যমলৈ আহিছে। তেওঁলোক এতিয়া টিভি-বাতৰিকাকত নিয়মীয়াকৈ চলি থকাৰ সমান্তৰালকৈ ডিজিটেল মাধ্যমতো সমানেই সক্ৰিয় হৈ আছে।

পৰম্পৰাগত সংবাদ মাধ্যমবোৰ সাধাৰণতে ব্যৱসায়িক গোষ্ঠী, পুঁজিপতিৰ দখলতে থাকে। ডাঙৰ সংবাদ প্ৰতিষ্ঠান এটা ক্ষুদ্ৰ পুঁজিৰে চলোৱা সম্ভৱ নহয় বাবেই ডাঙৰ পুঁজিপতি গোষ্ঠীবোৰে মিডিয়া উদ্যোগত নিজৰ ধন বিনিয়োগ কৰি আহিছে। শেহতীয়া এটা দশকত দেশৰ অনেক সংবাদ প্ৰতিষ্ঠান প্ৰতিষ্ঠিত পুঁজিপতিৰ দখললৈ গৈছে। ৰাজনৈতিক চক্ৰান্তৰ কথাই কওক বা পুঁজিপতি চক্ৰান্ত, দেশৰ আগশাৰীৰ সংবাদ প্ৰতিষ্ঠান নতুন দিল্লীস্থিত এনডিটিভি কেনেকৈ বৃহৎ পুঁজিপতি গোষ্ঠী আদানী গোটলৈ গৈছে সেয়া সকলোৱে জানে। মুঠতে বৰ্তমান দেশৰ সংবাদমাধ্যম পুঁজিপতিৰ দখলত।

দেশৰ আগশাৰীৰ সংবাদ প্ৰতিষ্ঠান, জনপ্ৰিয় বাৰ্তালোচনী "দ্যা কাৰাভান" হৈছে বস্তুনিষ্ঠ সাংবাদিকতাত বিশ্বাসী এক সংবাদ প্ৰতিষ্ঠান। এই বাৰ্তালোচনীখনৰ ডিচেম্বৰ সংখ্যাত প্ৰকাশ হোৱা এটা অনুসন্ধানমূলক বাতৰিয়ে খলকনি তুলিবলৈ সক্ষম হৈছে। এই মাহৰ সংখ্যাত কাৰাভানে আম্বানী উদ্যোগপতিৰ অধিনস্থ News18 সংবাদ গোট সন্দৰ্ভত তিনি মাহজোৰা এক বিস্তৃত অনুসন্ধানৰ ভিত্তিত এক প্ৰতিবেদন প্ৰকাশ কৰিছে। উল্লেখ্য যে ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজে ২০১৪ চনত এক চুক্তি অনুসৰি নেটৱৰ্ক-১৮ গোটত ৫০ শতাংশতকৈ অধিক শ্বেয়াৰ ক্ৰয় কৰি এই গোটৰ মালিক হৈ পৰিছিল। কাৰাভান আলোচনীত প্ৰকাশ পোৱা প্ৰতিবেদন অনুসৰি আম্বানী গোটে বিগত ১০টা বছৰত সংবাদ প্ৰতিষ্ঠান নিউজ-১৮ৰ যোগেদি উত্তৰ-পূব এছিয়াত সম্পাদকীয় বাতৰিৰ ধাৰা সম্পূৰ্ণৰূপে সলনি কৰিছে। কেনেকৈ?

The Caravan আলোচনীত প্ৰকাশ পোৱা প্ৰতিবেদন অনুসৰি প্ৰতিবেদকে বিগত তিনিৰ পৰা চাৰিটা মাহত নিউজ-১৮ গোটৰ সৈতে জড়িত এক ডজনৰো অধিক সম্পাদকৰ সৈতে আড্ডাত বহিছিল। সেই আড্ডাত প্ৰতিবেদকে বুজিব পাৰিছিল যে ৰিলায়েন্সৰ পৰিচালনা সমিতিয়ে Network18ৰ সম্পাদকীয় মণ্ডলীক এয়া বুজাই দিছিল যে তেওঁলোকে কেন্দ্ৰৰ চৰকাৰৰ গুণানুকীৰ্ত্তন কৰাৰ লগতে ৰিলায়েন্সৰ সংলগ্ন অন্যান্য ব্যৱসায়ক বাতৰিৰ জৰিয়তে উৎসাহিত কৰিব লাগিব। যিসকল সম্পাদক বা কৰ্মচাৰীয়ে কোনো প্ৰতিবাদ নোহোৱাকৈ ৰিলায়েন্স পৰিচালনা সমিতিৰ কথাবোৰ শুনিছিল তেওঁলোকে ভাল দৰমহা, মেডিকেল বীমা তথা অন্যান্য সুবিধা লাভ কৰিছিল। আৰু যিসকলে সম্পাদকীয় হস্তক্ষেপ সম্বন্ধীয় কথাটোত প্ৰতিবাদ কৰিছিল তেওঁলোকৰ চাকৰি গৈছিল নতুবা অন্য সংবাদ প্ৰতিষ্ঠানত চাকৰি পোৱাৰ ক্ষেত্ৰতো বাধা পাইছিল। আনকি তেনে বিদ্ৰোহী সাংবাদিক-সম্পাদকৰ সামাজিক মাধ্যমৰ একাউন্টৰ গতিবিধিটো ৰিলায়েন্স গোটে নিয়োগ কৰা কৰ্মচাৰীয়ে চোকা দৃষ্টি ৰাখিছিল।

দ্যা কাৰাভান আলোচনীৰ প্ৰতিবেদনে দেশত এটা বিষয় পুনঃ আলোচনালৈ আনিছে। এই বিষয়টো হৈছে সংবাদ মাধ্যমৰ স্বাধীনতা। সমীক্ষা মতে, বিশ্বৰ ভিতৰত প্ৰেছ স্বাধীনতাৰ (Press Freedom Index) দিশটোত ১৭৬ খন দেশৰ ভিতৰত ভাৰতৰ স্থান হৈছে ১৫৯। গতিকে এই সূচাংকই সকলো কথা স্পষ্ট কৰে। পুঁজিপতিৰ হাতত বন্দী হৈ পৰা সম্পাদকসকলক কোনে উদ্ধাৰ কৰিব? বিষয়টো গৱেষণাৰ প্ৰয়োজন আছে।

# গুৰুত্ব দিবই নালাগেঃ ৰফিকুল

■ প্ৰথম পৃষ্ঠাৰ পৰা...

লোৱাৰ পিছতে এআইইউডিএফে এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছে। বিধায়ক তথা দলৰ সাধাৰণ সম্পাদক ড০ ৰফিকুল ইছলামে বিজেপি নেতৃত্বাধীন চৰকাৰক সমালোচনা কৰি কয় যে এনে সিদ্ধান্তক বেছি গুৰুত্ব নিদিও। বিজেপি হৈছে এনে এটা দল, যিয়ে গোৱাত গো-মাংস নিষিদ্ধ কৰিব নোৱাৰে। গোৱাত গো-মাংস নিষিদ্ধ কৰিলে এদিনতে চৰকাৰ পতন হ'ব। উত্তৰ-পূৰ্বাঞ্চলৰ মণিপুৰ, নাগালেণ্ড, মেঘালয়, মিজোৰাম, অৰুণাচলত প্ৰায় সংখ্যক লোকে গৰু খায়। তাৰ চৰকাৰসমূহৰ বিজেপি সহযোগী দল। বিজেপিয়ে চৰকাৰ চলাই থকা এই ৰাজ্যসমূহত সকলোৱে গৰু খাই আছে। তাত বিজেপিয়ে এইবোৰ কৰিব নোৱাৰে। ড০ ৰফিকুল ইছলামে মই এই সিদ্ধান্তক বেছি গুৰুত্ব নিদিও বুলি কৈ কয় যে অসমৰ মুছলমান সংখ্যালঘু, খ্ৰীষ্টান, আদিবাসী, চাহ জনগোষ্ঠীৰ বহু সমস্যা আছে। সমস্যাক লৈ আলোচনা কৰিব লাগে। কোনে ঘৰত কি খাব, কোনে কি পিন্ধিব এইবোৰ চৰ্চাৰ বিষয় হ'ব নালাগে। কংগ্ৰেছ, অখিল গগৈ, বিজেপিৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই বিগত এটা সপ্তাহৰ পৰা এইবোৰ কথাকে কৈ আছে। এইসকল ৰাজনীতিক চালাক, চতুৰ। এইবোৰ বেহুদা কথাত কোনেও গুৰুত্ব দিব নালাগে। চৰকাৰৰ এনে পক্ষপাতিত্বমূলক সিদ্ধান্তক আওকাণ কৰিবলৈকো তেওঁ অসমৰ জনগণক আহ্বান জনায়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভূপেন বৰাৰ আহ্বানলৈ সঁহাৰি, অৱশেষত

ৰাজহুৱা কৰিছে। অখিল গগৈয়ে আজি সংবাদমাধ্যমৰ আগত এই কথা স্পষ্ট কৰি কয় যে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ আহ্বানৰ প্ৰতি লক্ষ্য ৰাখি এতিয়াৰে পৰা ৰাইজৰ দলে কংগ্ৰেছৰ বিৰুদ্ধে বাকযুদ্ধ চলাওতে সংযত হ'ব। গগৈয়ে এইবুলিও কয় যে এই সিদ্ধান্ত তেওঁ সাংবাদিকৰ আগত ৰাজহুৱা কৰিছে আৰু দলৰ ভিতৰতো এক নিৰ্দেশনা জাৰি কৰিছে। উল্লেখ্য যে উপ-নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা ঘোষণা হোৱাৰ পিছত নিৰ্বাচনত ফলাফল ওলোৱালৈকে অখিল গগৈয়ে কংগ্ৰেছ দলক প্ৰৱঞ্চকৰ দল বুলি ক্ষুৰধাৰ সমালোচনা কৰাৰ লগতে গৌৰৱ গগৈৰ অহংকাৰৰ বাবেই বিহালী বিধানসভা সমষ্টিতো সন্মিলিত বিৰোধীৰ প্ৰাৰ্থীয়ে লাভ নকৰিলে বুলি কংগ্ৰেছক সমালোচনাৰে থকা-সৰকা কৰি আহিছে। গগৈয়ে এই বুলিও অভিযোগ কৰিছিল যে গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী হোৱাৰ সপোন দেখি তেওঁৰ একালৰ সাৰথি দলসমূহৰ মাজত আস্থাহীনতাৰ সৃষ্টি কৰিলে। অখিল গগৈৰ এনে আক্ৰমণাত্মক ৰূপৰ মাজতে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই যুদ্ধবিৰতি নকৰিলে কংগ্ৰেছে ককাল বেকা কৰি অখিল গগৈৰ লগত ৰাজনৈতিক বুজাপৰা নকৰে বুলি হুংকাৰ প্ৰদান কৰিছিল। ভূপেন বৰাৰ এই ৰাজহুৱা উদ্গীৰণৰ পিছতে অখিল গগৈৰ যুদ্ধবিৰতিয়ে বিজেপি বিৰোধী শক্তিসমূহক উৎসাহিত কৰি তুলিছে। ইফালে, ৰাজীৱ ভৱনতো অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই বিজেপি বিৰোধী শক্তিসমূহক একত্ৰিত কৰাৰ স্বাৰ্থত বিৰোধী ৰাজনৈতিক দলসমূহক সমালোচনা কৰাৰ ক্ষেত্ৰত সংযত হ'বলৈ আহ্বান জনাইছিল। বৰাই মুখপাত্ৰসকলৰ এক বৈঠকত ২০২৬ৰ নিৰ্বাচনত জিকাৰ অংক হিচাপে পুনৰ মিত্ৰতাৰ পোষকতাও কৰিছিল। মঙলবাৰে অনুষ্ঠিত বৈঠকত কংগ্ৰেছৰ কেবাজনো জ্যেষ্ঠ নেতাৰ লগতে মুখপাত্ৰসকলৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয় আৰু এই বৈঠকত বিজেপিৰ বিৰোধী শক্তিসমূহক লৈ মিত্ৰতা কৰাৰ প্ৰসংগটোৰে গুৰুত্ব লাভ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৭ ডিচেম্বৰত লিলিত বিৰোধীৰ বহিব

পিছত বিৰোধী শিবিৰৰ এইখন প্ৰথমখন উমৈহতীয়া সভা। অসম সন্মিলিত মৰ্চাক বিহালী আসনখন এৰি নিদিয়াৰ বাবেই কংগ্ৰেছ দলৰ লগত সন্মিলিত বিৰোধীৰ সংঘাত হৈছিল আৰু যাৰ পৰিণতিত কংগ্ৰেছৰ বিৰুদ্ধে বিহালীত ঐক্যবদ্ধ বিৰোধীয়া প্ৰাৰ্থিত্ব আগবঢ়াইছিল। বিৰোধী শিবিৰৰ পৰা বিশেষকৈ ৰাইজৰ দলৰ নেতা অখিল গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কংগ্ৰেছ দলৰ আকোৰগোঁজ মনোভাৱৰ বাবেই ৫টা সমষ্টিৰ উপ-নিৰ্বাচনত কংগ্ৰেছ দলে মুখথেকেচা খালে বুলি অভিযোগ কৰিছে। অখিল গগৈয়ে বিগত কিছুদিন ধৰি কংগ্ৰেছ দলক আক্ৰমণৰ লক্ষ্য কৰি লোৱাৰ লগতে সাংসদ গৌৰৱ গগৈৰ অহংকাৰৰ বাবেই বিৰোধী ঐক্যত সংঘাত অহা বুলি ৰাজহুৱাকৈ কোৱা আৰম্ভ কৰিছে। শেহতীয়াকৈ একে সুৰতে সুৰ মিলাইছে অসম জাতীয় পৰিষদৰ নেতা লুৰীণজ্যোতি গগৈয়েও। সন্মিলিত বিৰোধী নথকা বাবেই কংগ্ৰেছে চামগুৰি সমষ্টিটোও হেৰুৱালগীয়া হ'ল বুলি লুৰীণজ্যোতিয়ে আজি বিশ্বনাথ চাৰিআলিত মন্তব্য কৰিছে। লুৰীণজ্যোতিৰ এনে মন্তব্যৰ পিছত অহা ৭ ডিচেম্বৰত ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাৰ সভাপতিত্বত অসম সন্মিলিত মৰ্চাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব। কংগ্ৰেছক বাদ দি কিমানটা ৰাজনৈতিক দলে এই সভাত অংশগ্ৰহণ কৰিব সেইকথা এতিয়াও নিশ্চিত হোৱা নাই যদিও ২০২৬ৰ নিৰ্বাচনত বিজেপি আৰু এআইইউডিএফৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে যুঁজিবৰ বাবে অসন সন্মিলিত মৰ্চাৰ দলসমূহে একত্ৰিতভাৱে কাম কৰিব বুলি জানিব পৰা গৈছে। 'অসম'ৰ এক সূত্ৰৰ মতে সংখ্যালঘুৰ ভোট একত্ৰিত কৰিবৰ বাবে বিজেপিয়ে কৌশলগতভাৱে ইউডিএফৰ লগতো গোপনে বুজাপৰা কৰিব পাৰে। সূত্ৰটোৰ মতে বদৰুদ্দিন আজমলৰ লগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘনিষ্ঠ সম্পৰ্ক অব্যাহত ৰাখিছে আৰু ২০২৬ত এআইইউডিএফক শিখণ্ডী হিচাপে ব্যৱহাৰ কৰি বিজেপিয়ে নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ কৌশল ৰচনা কৰিব পাৰে। গতিকে '২৬ৰ বৈতৰণী পাৰ হ'বলৈ বিৰোধীয়ে কি ৰণকৌশল প্ৰস্তুত কৰে, সেয়া হ'ব লক্ষণীয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপি নেতাৰ বিৰুদ্ধে মহানগৰীৰ বহু

ফলতেই সময়ে সময়ে বনৰীয়া জীৱ-জন্তুই মুক্ত বিচৰণ কৰে। বিগত ৮টা বছৰ গুৱাহাটীত বিজেপি নেতাৰ পৃষ্ঠপোষকতাত পাহাৰ ধ্বংসত দ্ৰুত গতিত আৰম্ভ হৈছে। নুনমাটি, ডিমৰীয়া, সোণাপুৰ, খানাপাৰা, মালিগাঁও, জালুকবাৰী আদি এলেকাত মুক্তমনে চলি গৈছে পাহাৰখনন। পাহাৰ খনন চলিছে বিজেপি নেতাৰ পৃষ্ঠপোষকতাত। বিশেষকৈ গুৱাহাটী মহানগৰীৰ ডিমৰীয়াত দিনৰ পোহৰলৈ জেচিবি লগাই পাহাৰ খনন কৰি থকা হৈছে। চৰকাৰে পৰিৱেশ দিৱস পালন কৰি, অমৃত বৃক্ষ ৰোপন কাৰ্যসূচী ৰূপায়ন কৰি পৰিৱেশ ৰক্ষা কৰিব খোজাৰ ভাও ধৰে যদিও আনহাতে, বিজেপিৰ নেতাই নিতৌ সেউজীয়া পাহাৰৰ বক্ষ উদয়ং কৰি গৈছে। বিজেপি নেতাৰ বিৰুদ্ধে নিতৌ এনে অভিযোগৰ মাজতে এইবাৰ একেই অভিযোগ উত্থাপন কৰিছে সদৌ অসম ছাত্ৰ সন্থাই। সদৌ অসম ছাত্ৰ সন্থাই দুই বিজেপিৰ নেতাই এফালৰ পৰা ডিমৰীয়াৰ সেউজীয়া পাহাৰ ধ্বংস কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। পূৱ কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত সোণাপুৰ-ডিমৰীয়াৰ তিনি স্থানত পাহাৰ খননৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। সোণাপুৰ ৰাজহ চক্ৰৰ নলগেদৰা, তেতেলীয়া, বাইশমাইল এলেকাত দিনে নিশাই পাহাৰখনন কৰি থকা হৈছে। বিজেপিৰ দুই প্ৰভাৱশালী নেতাৰ নেতৃত্বত পাহাৰ খনন কৰি থকা হৈছে। সদৌ অসম ছাত্ৰ সন্থাৰ আন্তঃ ডিমৰীয়া আঞ্চলিক সমিতিয়ে ২৭ নৱেম্বৰত কামৰূপ মহানগৰ জিলা জিলা আয়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিল। এই স্মাৰক পত্ৰত বিজেপি নেতাই সোণাপুৰ-ডিমৰীয়াত এঠাইত পাহাৰ খননৰ অনুমতি দি চৌদিশে অবৈধ খনন চলাই থকাৰ অভিযোগ আনে। কেৱল ব্যৱসায়িক স্বাৰ্থত গুৱাহাটীৰ সেউজীয়া পাহাৰ খননৰ অনুমতি দিয়াত জাঙুৰ খাই উঠিছে সদৌ অসম ছাত্ৰ সন্থা। গুৱাহাটী মহানগৰীৰ ডিমৰীয়া এলেকাৰ পাহাৰ খননৰ অনুমতি দিয়াত সদৌ অসম ছাত্ৰ সন্থাৰ আন্তঃ ডিমৰীয়া আঞ্চলিক সমিতিয়ে তীব্ৰ বিৰোধ কৰিছে। এঠাইত পাহাৰ খনন কৰাৰ অনুমতি দি ডিমৰীয়াৰ জলাশয় আৰু কৃষিভূমি ধ্বংসৰ ষড়যন্ত্ৰ কৰাৰ অভিযোগ আনিছে। আছুৱে কয় যে বন বিভাগৰ সকলো নীতি ধ্বংস কৰি পাহাৰখননৰ অনুমতি দিয়া হৈছে। খননথলীত বন বিভাগৰ লোক উপস্থিত নাথাকে, ব্যৱসায়ী গোষ্ঠীক পাহাৰ গতাই দিয়া হৈছে। পাহাৰৰ পৰা এখন চালানেৰে ৩০ৰ পৰা ৪০ গাড়ী মাটি কঢ়িওৱা হয়। যাৰ বাবে ৰাজহ ক্ষতি হৈছে। এজন এজন ব্যৱসায়ীয়ে পাহাৰ কাটি কোটি কোটি টকা উপাৰ্জন কৰিছে। তাৰ পৰা লক্ষ লক্ষ টকা কমিছন লাভ কৰিছে বিন বিভাগৰ বিষয়াই। এটা ঠাইত খননৰ অনুমতি লৈ ২৫ৰ পৰা ৩০ স্থানত মাটি খনন কৰা হয়। পূব কামৰূপ বন সংমণ্ডলৰ অসম-মেঘালয় সীমান্তত পূৰ্বৰে পৰা খনন চলি আছে। ডিমৰীয়া আছুৱে আৰু কয় যে খননৰ বিৰুদ্ধে ৫ জুনত সদৌ অসম ছাত্ৰ সন্থাই খনন বন্ধ কৰাৰ দাবীত অসম-মেঘালয় সীমান্তত প্ৰতীকী গছ ৰুই প্ৰতিবাদ সাব্যস্ত কৰিছে। যোৱা ৮ জুনত খণ্ড বন বিষয়াগৰাকীক বদলি কৰা হৈছিল। কিন্তু তদন্তৰ নামত ভেকোঁভাওনা দেখা গ'ল। বন বিভাগত কৰ্মৰত বিষয়াসকল এতিয়া কোটি কোটি টকা ৰাজহ ফাঁকি দি কোটি কোটি টকা ঘটি বীৰদৰ্পে বিষয়াৰ পদ চম্ভালি আছে। বন বিভাগৰ বিষয়াৰ সৈতে লগলাগি খনন মাফিয়াই খনন কৰি গৈছে। বিগত ১০ বছৰত ডিমৰীয়াত বন বিষয়া হিচাপে থকা বিষয়াসকলৰ সম্পত্তি, টকাৰ তদন্ত কৰিলেই সকলো ওলাই পৰিব। সোণাপুৰ-কমলাজাৰী পথ এলেকাত ৪ বছৰ পূৰ্বৰ পৰাই পাহাৰ ধ্বংস কৰি থকা হৈছে। ফলত এজাক বৰষুণতে ৰঙা মাটিৰে ভৰি পৰে পথটো। পাহাৰ ধ্বংস কৰি কৰা উন্নয়ন আমাক নালাগে। আৰক্ষী আৰু বন বিষয়াক মনে মনে থকাৰ বাবে হেঁচা দিয়ে বিজেপি নেতাই। পাহাৰ খননত বিজেপিৰ নেতা জড়িত থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে আছুৱে। এতিয়া শাসকীয় দলে আছুৰ অভিযোগক কেনেদৰে গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সামৰিক আইন জাঁপি দিবলৈ গৈ বিপদত

জনসাধাৰণৰ তীব্ৰ প্ৰতিবাদ আৰু বিৰোধীৰ হেঁচাত শেহতীয়াকৈ ৰাষ্ট্ৰপতিগৰাকীয়ে সামৰিক আইন প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হ'লেও তেওঁৰ বিৰুদ্ধে হ্ৰাস পোৱা নাই জনতাৰ বিক্ষোভ। এনে পৰিস্থিতিত এইবাৰ ৰাষ্ট্ৰপতি ইউন চুক-ইয়েওলেক বৰ্খাস্ত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি স্পষ্ট কৰি দিছে বিৰোধী শিবিৰে। বুধবাৰে সংসদৰ অধিকাংশ সদস্যই য়েওলৰ বিৰুদ্ধে অভিযোগনামা দাখিলৰ সিদ্ধান্তত সহমত প্ৰদান কৰা বুলি ঘোষণা কৰে। উল্লেখযোগ্য যে মূল বিৰোধী দল ডেম'ক্ৰেটিক পাৰ্টিৰ উপৰিও য়েওলৰ নিজা দল পিপলছ পাৱাৰ পাৰ্টিৰ সদস্যসকলেও এই প্ৰক্ৰিয়াত যোগদান কৰিছিল। বিৰোধী নেতা হৱাং উনহাই কয় যে অহা ৭২ ঘণ্টাৰ ভিতৰত অভিযোগনামা প্ৰক্ৰিয়া সন্দৰ্ভত ভোটদানৰ পৰিকল্পনা কৰা হৈছে। উল্লেখ্য যে, যোৱা মঙলবাৰে ৰাষ্ট্ৰপতি ইয়েওলে সামৰিক আইন ঘোষণা কৰিছিল। ফলত সমগ্ৰ দেশতে অশান্তি আৰম্ভ হয়। সেনা প্ৰধান জেনেৰেল পাৰ্ক আন-ছুক এই আইন কাৰ্যকৰী কৰাৰ দায়িত্ব দিয়া হৈছিল। কিন্তু সংসদৰ ৩০০ সদস্যৰ ভিতৰত ১৯০ জন সদস্যই এই সিদ্ধান্তৰ বিৰুদ্ধে প্ৰস্তাৱ গৃহীত কৰে। একে সময়তে ছিউলৰ সংসদ ভৱনৰ সন্মুখত সংসদৰ সদস্য আৰু সাধাৰণ জনতাইও এই প্ৰতিবাদত যোগদান কৰে। পৰৱৰ্তী সময়ত হেঁচাত পৰি ৰাষ্ট্ৰপতি ইয়েওলে বুধবাৰে সামৰিক আইন প্ৰত্যাহাৰ কৰাৰ কথা ঘোষণা কৰে। কিন্তু প্ৰশ্ন হয়, কিয় ইমান কঠোৰ সিদ্ধান্ত লৈছিল? উত্তৰ কোৰিয়াৰ নেতা কিম জং উনৰ সমৰ্থনত বিৰোধীয়ে ক্ষমতা দখল কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰা বুলি দাবী কৰে ৰাষ্ট্ৰপতিগৰাকীয়ে। তেওঁৰ ভাষাত, "উদাৰবাদী দক্ষিণ কোৰিয়াক উত্তৰ কোৰিয়াৰ কমিউনিষ্ট বাহিনীৰ আগ্ৰাসনৰ পৰা ৰক্ষা কৰিবলৈ আৰু ৰাষ্ট্ৰ বিৰোধী শক্তিক নিৰ্মূল কৰিবলৈ সামৰিক আইন প্ৰয়োজনীয় আছিল।" কিন্তু এই পদক্ষেপে ৰাষ্ট্ৰপতি ইয়েওলৰ স্থিতি আৰু অধিক বিপন্ন কৰি পেলাইছে। সামৰিক আইন প্ৰত্যাহাৰ কৰাৰ পিছতো ৰাষ্ট্ৰপতিগৰাকীৰ বিৰুদ্ধে অভিযোগনামা দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে দক্ষিণ কোৰিয়াৰ ৰাজনৈতিক অশান্তি নতুন মাত্ৰাত উপনীত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সম্ভললৈ যোৱা নহ'ল ৰাহুল গান্ধীৰ

সূত্ৰপাত ঘটা সাম্প্ৰদায়িক সংঘাতত পাঁচজনকৈ লোকৰ মৃত্যুৰ পিছতে অধিক জটিল হৈ পৰে সম্ভলৰ পৰিস্থিতি। আনহাতে শেহতীয়াকৈ সম্ভল কাণ্ডক লৈ বৃদ্ধি পাইছে ৰাজনৈতিক উত্তেজনাও। সংসদৰ অধিৱেশনত এই হিংসাক লৈ বিৰোধী সৰৱ হৈ পৰিছে। তাৰ মাজতে বুধবাৰে সম্ভলৰ প্ৰভাৱিত অঞ্চল পৰিদৰ্শন কৰিবলৈ গৈ আৰক্ষীৰ বাধাৰ সন্মুখীন হ'বলগীয়া হয় লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী আৰু সাংসদ ভগ্নী প্ৰিয়ংকা গান্ধী। দুয়োকে নিৰাপত্তাজনিত কাৰণৰ দোহাই দি উত্তৰপ্ৰদেশ আৰক্ষীয়ে দিল্লী-গাজিপুৰ সীমান্তত আৱদ্ধ কৰাৰ পিছতে একাংশ কংগ্ৰেছ সমৰ্থকে সৃষ্টি কৰে উত্তপ্ত পৰিস্থিতিৰ। আৰক্ষীৰ বেৰিকেড ভাঙি কংগ্ৰেছ কৰ্মীয়ে আগবাঢ়িবলৈ চেষ্টা কৰাত কেইবাজনকো আটক কৰে আৰক্ষীয়ে। এনে পৰিস্থিতিত দীৰ্ঘ সময়ৰ বাবে স্তব্ধ হৈ পৰে দিল্লী-মীৰাট এক্সপ্ৰেছৱে'। উল্লেখ্য যে, কিছুদিন পূৰ্বে সম্ভলৰ এখন স্থানীয় আদালতে নিৰ্দেশ দিয়া মছজিদটোৰ জৰীপৰ সময়তে সূত্ৰপাত ঘটিছিল সংঘৰ্ষৰ। অভিযোগ অনুসৰি, মোগলৰ যুগত হৰিহৰ মন্দিৰ ভাঙি শ্বাহী মছজিদ নিৰ্মাণ কৰা হৈছিল। এই আবেদনৰ ভিত্তিত আদালতে জাৰি কৰা নিৰ্দেশৰ ভিত্তিত মছজিদটোৰ জৰীপৰ সময়তে একাংশ স্থানীয় লোকৰ সৈতে সংঘৰ্ষ ঘটে আৰক্ষীৰ। এই পৰিস্থিতিত আৰক্ষীৰ গুলীত পাঁচজনকৈ লোক নিহত হোৱাৰো অভিযোগ উত্থাপন হয়। ইফালে, ঘটনাৰ পিছৰে পৰা যোগী আদিত্যনাথ চৰকাৰে বাহিৰৰ পৰা অহা লোকৰ সম্ভলত প্ৰৱেশত নিষেধাজ্ঞা আৰোপ কৰিছে। শনিবাৰে সম্ভললৈ ৰাওনা হোৱা সমাজবাদী পাৰ্টিৰ প্ৰতিনিধি দল আৰু সোমবাৰে কংগ্ৰেছৰ প্ৰতিনিধি দলকো সম্ভলত প্ৰৱেশত বাধা আৰোপ কৰে আৰক্ষীয়ে। তাৰ পিছতে বুধবাৰে আৰক্ষীৰ বাধাৰ সন্মুখীন হৈ পুনৰ দিল্লীৰ উভতিবলগীয়া হয় ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধী। অন্যহাতে, সম্ভল কাণ্ডক লৈ সংসদৰ চলি থকা শীতকালীন অধিৱেশনত সৰৱ হৈ পৰা দেখা গৈছে বিৰোধীক। বিৰোধীয়ে যোগী চৰকাৰৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছে যে ভুক্তভোগীক সাক্ষাৎ কৰিবলৈও দিয়া হোৱা নাই। উত্তৰ প্ৰদেশ প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলাইছে। কিন্তু এটাৰ পাছত আনটো ঘটনাই শেহতীয়াকৈ সম্ভলক লৈ উত্তেজনা বৃদ্ধি কৰাহে পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বেংকৰ চাকৰিত ৬০০টা পদত ৩৬০

গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপি দলৰ চৰকাৰৰ দুৰ্বল স্থিতিৰ বাবেই কেন্দ্ৰীয় নিযুক্তিত থলুৱাক বঞ্চিত কৰা হৈছে বুলি জাতীয় যুৱ বাহিনীয়ে অভিযোগ আনিছে। ৰাজহুৱা খণ্ডৰ বেংক ষ্টেট বেংক অফ ইণ্ডিয়াই উত্তৰ-পূৰ্বাঞ্চলত ৬০০টা পদত নিযুক্তি দিছে যদিও ইয়াৰে ৩৬০জনেই উত্তৰ পূৰ্বাঞ্চলৰ বাহিৰৰ প্ৰাৰ্থী। নিযুক্তিৰ ৬০ শতাংশ উত্তৰ পূৰ্বাঞ্চলৰ বাহিৰৰ প্ৰাৰ্থী। জাতীয় যুৱ বাহিনীয়ে এক বিবৃতি যোগে কয় যে ষ্টেট বেংক অফ ইণ্ডিয়াৰ শেহতীয়া জুনিয়ৰ এচিষ্টেন্ট পদবীত নিযুক্তিৰ ক্ষেত্ৰত ব্যাপক বিসংগতি সংঘটিত হৈছে। জাতীয় যুৱ বাহিনীৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সুব্ৰত দত্তই বিবৃতি যোগে কয় যে ৰাষ্ট্ৰীয়কৃত বেংকটোৱে শেহতীয়াকৈ উত্তৰ পূৰ্বাঞ্চলৰ বাবে অনুষ্ঠিত কৰা নিযুক্তি পৰীক্ষাত উত্তৰ পূবৰ পৰীক্ষাৰ্থীক বঞ্চিত কৰি সম্পূৰ্ণ নীতিবৰ্হিভূতভাৱে বহিঃৰাজ্যৰ প্ৰাৰ্থীক নিযুক্তি প্ৰদান কৰা দৃষ্টি গোচৰ হৈছে। ৬০০টা পদৰ বাবে অনুষ্ঠিত কৰা পৰীক্ষাত ৬০ শতাংশ অৰ্থাৎ ৩৬০টা পদেই উত্তৰ পূৰ্বাঞ্চলৰ বাহিৰৰ প্ৰাৰ্থীক প্ৰদান কৰি উত্তৰ পূবৰ থলুৱা প্ৰাৰ্থীৰ লগত সম্পূৰ্ণ হেমাহি কৰা হৈছে। সংগঠনটোৱে লগতে কয় যে ৰাষ্ট্ৰীয়কৃত প্ৰতিষ্ঠান এটাই অসমত নিযুক্তি প্ৰদানৰ ক্ষেত্ৰত প্ৰাৰ্থীজনে অসমীয়া, বড়ো আৰু বাংলা এই তিনিটা ভাষাৰ যিকোনো এটা ভাষা জনাটো বাধ্যতামূলক কৰাৰ নিয়ম আছে যদিও এই নিয়ম অগ্ৰাহ্য কৰি বেংকটোৱে এই তিনিটা ভাষাৰ এটাও নজনা বহিঃৰাজ্যৰ প্ৰাৰ্থীক নীতিবৰ্হিভূতভাৱে নিযুক্তি প্ৰদান কৰিছে। ৰাষ্ট্ৰীয়কৃত বেংকটোৰ এই নিযুক্তি প্ৰক্ৰিয়াক শীঘ্ৰে তদন্ত আওতালৈ আনিব লাগে। সংবিধানৰ অনুচ্ছেদ ৩৭১(জে) প্ৰদানৰ দ্বাৰা অসমত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয়কৃত যিকোনো প্ৰতিষ্ঠানত থলুৱা যুৱক-যুৱতীৰ নিযুক্তি সু-নিশ্চিত কৰিবলৈ জাতীয় যুৱ বাহিনীয়ে পূৰ্বৰে পৰাই দাবী জনাই আহিছে আৰু ইয়াৰ জৰিয়তেহে খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত হ'ব বুলি মত প্ৰকাশ কৰে। সংগঠনটোৱে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দুৰ্বল স্থিতি আৰু হস্তক্ষেপহীনতাক কঠোৰ ভাষাৰে সমালোচনা কৰে। নিযুক্তি প্ৰদানৰ দৰে গুৰুত্বপূৰ্ণ বিষয় আওকাণ কৰি জাতিৰ স্বাৰ্থ ৰক্ষাৰ বৰ বৰ শ্ল'গান দিয়াটো সম্পূৰ্ণ অমূলক। মুখ্যমন্ত্ৰীৰ পদত্যাগৰো দাবী জনায় জাতীয় যুৱ বাহিনীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সীমা বিশ্বাসলৈ আইদেউ সন্দিকৈ বঁটা

বিশেষ সন্মান প্ৰদানৰ কথা ঘোষণা কৰিছে সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে। ফুলন দেৱীৰ জীৱনক লৈ নিৰ্মিত বহু চৰ্চিত হিন্দী বোলছবি 'বেণ্ডিত কুইন'ৰ অভিনেত্ৰী সীমা বিশ্বাসলৈ আগবঢ়োৱা হৈছে আইদেউ সন্দিকৈ বঁটা। বোকাখাত নাট্য মন্দিৰত অনুষ্ঠিত সংবাদমেলত এই কথা সদৰী কৰিছে সদৌ অসম লেখিকা সমাৰোহে। বোকাখাত শাখা সন্ধানী লেখিকা সমাৰোহ সমিতি আৰু বোকাখাত নাট্যমন্দিৰৰ সহযোগত শিল্পী আইদেউ সন্দিকৈৰ সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠান ১৭ ডিচেম্বৰত বোকাখাত নাট্য মন্দিৰত অনুষ্ঠিত হ'ব। প্ৰথম অসমীয়া বোলছবি 'জয়মতী'ৰ অভিনেত্ৰী আইদেউ সন্দিকৈৰ একবিংশতিতম স্মৃতি দিৱস উপলক্ষে এই বঁটা প্ৰদান কৰি অহা হৈছে। লেখিকা সমাৰোহ সমিতিয়ে ২০২৪ বৰ্ষৰ বাবে এই আগবঢ়াইছে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অভিনেত্ৰী সীমা বিশ্বাসক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰদ্যুৎ বহিব প্ৰিয়ংকাৰ কাষত, বাঢ়িব

সাংসদ গৌৰৱ গগৈক কংগ্ৰেছে সন্মুখৰ আসনত স্থান দিয়াৰ লগতে নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈকো বিশেষ আসন দিয়া হৈছে। প্ৰিয়ংকা গান্ধীৰ সৈতে একেখন আসনত বহিব প্ৰদ্যুৎ বৰদলৈ। বায়নাডৰ পৰা নকৈ নিৰ্বাচনত লোকসভাৰ সাংসদ প্ৰিয়ংকা গান্ধীক লোকসভাত চতুৰ্থ শাৰীত ৫১৭ নং আসন আৱণ্টন কৰা হৈছে। ৫১৭ নং আসনত থাকিব নগাঁৱৰ সাংসদগৰাকী। সংসদত গান্ধী পৰিয়ালৰ তৃতীয় সদস্য প্ৰিয়ংকাৰ এফালে সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু আনফালে বহিব কেৰালা কংগ্ৰেছৰ সাংসদ অদুৰ প্ৰকাশো। লোকসভাত নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ এতিয়াৰ পৰা প্ৰিয়ংকা গান্ধীৰ সৈতে একেখন আসনত বহিব। প্ৰিয়ংকাৰ সৈতে বহিলে প্ৰদ্যুৎ বৰদলৈৰ কংগ্ৰেছ দলত প্ৰভাৱ বৃদ্ধি হ'ব নেকি তাকে লৈ চৰ্চা হ'বলৈ ধৰিছে। উল্লেখ কৰিব পাৰি যে ২০১৪ আৰু ২০১৯ চনত কেৰালাৰ সাংসদ কে চি বেণুগোপালে ষষ্ঠাদশ লোকসভাত ৰাহুল গান্ধীৰ কাষত স্থান লাভ কৰিছিল। পিছত তেওঁৰ প্ৰফাইল যথেষ্ট উন্নত হয়। বেণুগোপালে কেৱল কংগ্ৰেছ ৱৰ্কিং কমিটি (চিডব্লিউচি)ত স্থান লাভ কৰাই নহয়, দলটোৰ শীৰ্ষ সিদ্ধান্ত গ্ৰহণকাৰী সমিতিত স্থান লাভ কৰে। আজি ছোনিয়া, ৰাহুল, প্ৰিয়ংকা আৰু কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ পিছতে বেণুগোপালৰ স্থান। লোকসভাত কংগ্ৰেছৰ উপ-নেতা অসমৰ সাংসদ গৌৰৱ গগৈৰ উত্থানৰ মুখ্য কাৰণ গান্ধী পৰিয়ালৰ সৈতে ঘনিষ্ঠতা। ৰাহুল গান্ধীয়ে আনকি শীতকালীন অধিৱেশন আৰম্ভ হোৱাৰ ঠিক আগতে লোকসভাৰ অধ্যক্ষ ওম বিৰলাক এখন পত্ৰ লিখি গৌৰৱক সন্মুখৰ শাৰীত আসন দিছে। এনে পৰিপ্ৰেক্ষিতত প্ৰিয়ংকা গান্ধীৰ কাষত বহিবলৈ পোৱা প্ৰদ্যুৎ বৰদলৈৰ প্ৰভাৱো অনাগত সময়ত দলত বৃদ্ধি পাব পাৰে বুলিও কংগ্ৰেছৰ ভিতৰচ'ৰাত চৰ্চা চলা দেখা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মাটি দখলৰ ঘটনাক কেন্দ্ৰ কৰি উত্তপ্ত

উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পৰিস্থিতিয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰে যদিও আৰক্ষীৰ হস্তক্ষেপত পৰিস্থিতি নিয়ন্ত্ৰণ হয়। জানিব পৰা মতে, আজিৰ পৰা ৪৫-৪৬ বছৰৰ পূৰ্বে বিক্ৰী কৰা মাটি এটুকুৰা পুনৰ দখল কৰিবলৈ যোৱা ঘটনাক কেন্দ্ৰ কৰি আজি উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয়। অভিযোগ মতে, পাটিদৈয়া গাঁৱৰ লাহিৰাম পাতৰ নামৰ লোক এজনে নিজৰ মাটি বুলি দাবী কৰি দেৰাগুৰি চাৰিআলিৰ নাজিৰুল ইছলাম নামৰ লোকজনৰ দখলত থকা মাটি জোৰ-জবৰদস্তি দখল কৰিবলৈ চেষ্টা চলাই আহিছে। সেইদৰে আজি তেওঁলোকে তৰ্জাৰ বেৰ, বাঁহ লৈ মৰিগাঁৱৰ পাটীদৈয়া গাঁৱৰ পৰা দেৰাগুৰিত উপস্থিত হয়। একাংশ দালাল প্ৰকৃতিৰ লোকক লৈ নাজিৰুল ইছলামৰ বাসগৃহৰ সমীপত উপস্থিত হোৱাৰ লগে লগে এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। তাৰ মাজতে নজিৰুল ইছলামৰ এটা ঘৰত ৰহস্যজনকভাৱে অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডটো সন্দেহজনক বুলি একাংশই জনায় যদিও লাহিৰামৰ লগত যোৱা দালাল চক্ৰই তেওঁলোকৰ ঘৰত জুই লগাই দিয়া বুলি গৃহস্থই অভিযোগ কৰে। ইয়াৰ পিছতেই এক উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয়। ইফালে, ঘটনাৰ খবৰ পাই লাহৰীঘাট আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। অভিযোগ মতে, পূৰ্বতে বিক্ৰী কৰা মাটি দালালৰ প্ৰৰোচনাত লাহিৰাম পাটৰ নামৰ লোকজনে জোৰ-জবৰদস্তি নিজৰ দখললৈ আনিব বিচৰা কাৰ্যক স্থানীয় দল-সংগঠনে তীব্ৰ ভাষাৰে সমালোচনা কৰে।আনহাতে, আজি ঘটনাস্থলীত উপস্থিত থকা মুছলিম ছাত্ৰ সন্থা, অসমৰ সভাপতি আশ্বিক ৰাব্বানীয়ে এই ঘটনাক তীব্ৰ গৰিহণা দিয়াৰ লগতে ইয়াৰ পৰা যাতে ভাতৃঘাতী সংঘৰ্ষ নহয় তাৰ বাবে দুয়ো পক্ষকে সকীয়াই দিয়ে। আনহাতে, এই ক্ষেত্ৰত যিটো দালাল চক্ৰই অঞ্চলটোত অশান্তিৰ পৰিৱেশ সৃষ্টি কৰিছে, সেই চক্ৰটোৰ বিৰুদ্ধে সভাপতিগৰাকীয়ে। ইফালে, এই মাটি ডৰা লাহিৰাম পাটৰে উত্তৰাধিকাৰী সূত্ৰে পিতৃৰ পৰা পাইছে আৰু সেই অনুসৰি তেওঁ নিজৰ মাটিত ঘৰ সাজিবলৈ আহিছে বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বে এই সন্দৰ্ভত দেৰাগুৰি চাৰিআলিত স্থানীয় গাঁওপ্ৰধান মাণিক পাটৰৰ সভাপতিত্বত এখন ৰাজহুৱা সভাও অনুষ্ঠিত হৈছিল। সেই সভাতে অঞ্চলটোত কিছুমান মাটি-বাৰীক লৈ একাংশ লোকক উচটনি দি এটা অশান্তিৰ পৰিৱেশ সৃষ্টি কৰা বুলি মুকলিকৈয়ে দালাল চক্ৰটোৰ নাম প্ৰকাশ কৰিছিল। আনকি দালাল চক্ৰটোৰ বিৰুদ্ধে মৰিগাঁও জিলা আয়ুক্তগৰাকীকো লিখিত অভিযোগ দিছিল যদিও সেই দালাল চক্ৰটোৰ বিৰুদ্ধে আজিও কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। শেষত আৰক্ষীয়ে দুয়ো পক্ষকে উক্ত মাটি ডৰাত প্ৰৱেশ কৰিবলৈ বাধা প্ৰদান কৰাত, লাহিৰাম পাটৰে ঘৰ সাজিবলৈ লৈ অহা তৰ্জাৰ বেৰ, বাঁহ আদি সামগ্ৰীসমূহ ঘূৰাই লৈ যাব লগা হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ইছ্যু ডাইভাৰ্ট কৰিছেঃ গৌৰৱ

লোৱা গো-মাংস ভক্ষণ আৰু বিক্ৰীত নিষেধাজ্ঞা আৰোপ কৰাৰ সিদ্ধান্তক তীব্ৰ সমালোচনা কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ড বিধানসভা নিৰ্বাচনত বিজেপিৰ পৰাজয়ৰ পৰা দৃষ্টি অন্যফালে ঢাল খুৱাবলৈ এই পদক্ষেপ লোৱাৰ অভিযোগ উত্থাপন কৰিছে। গৌৰৱ গগৈয়ে কয় যে ঝাৰখণ্ডত বিজেপিক অপমানজনক ক্ষতিৰ সন্মুখীন কৰাৰ পিছতে অসমৰ মুখ্যমন্ত্ৰীয়ে তেওঁৰ বিফলতাক ঢাকিবলৈ চেষ্টা কৰি আছে। ছ'চিয়েল মিডিয়াৰ জৰিয়তে তেওঁ এনে সিদ্ধান্তক লৈ অসন্মতি প্ৰকাশ কৰে। ঝাৰখণ্ডৰ বিচক্ষণ ভোটাৰসকলৰ দৰেই অসমৰ ৰাইজেও আগন্তুক নিৰ্বাচনত বিজেপিৰ দুৰ্নীতি, অপশাসনক শাস্তি দিব। গৌৰৱ গগৈৰ অনুৰূপ ধৰণে ৰকিবুল হুছেইনেও একেই মন্তব্যকে কৰা দেখা গৈছে। ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনেও কয় যে এয়া হৈছে হিমন্ত বিশ্ব শৰ্মাৰ ইছ্যু ডাইভাৰ্ট কৰাৰ অন্য এক কৌশল।

# গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, ছিপাঝাৰ, ৪ ডিচেম্বৰঃ** দৰং জিলাৰ অগ্ৰণী তথা ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানৰ মূল মণ্ডপৰ লাইখুঁটা আজি বিদ্যালয়খনৰ খেল পথাৰত উলহ মালহেৰে এক মাংগলিক পৰিৱেশত স্থাপন কৰা হয়। লাইখুঁটা স্থাপন কৰে গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ভূবন দেৱ শৰ্মাই। লাইখুঁটা স্থাপনৰ প্ৰাক মুহূৰ্তত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট পুৰোহিত সুৰেন্দ্ৰ মোহন শৰ্মা, ভৱেশ শৰ্মা আৰু পংকজ শৰ্মাই। মংগলাচৰণ কৰে বিশিষ্ট সমাজকৰ্মী শিৱ প্ৰসাদ শৰ্মাই। আয়তীৰ নাম পৰিৱেশন কৰে জোনাকী ডেকা আৰু সংগীবৃন্দই। উক্ত অনুষ্ঠানত ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশী, দৰং জিলাৰ অতিৰিক্ত আয়ুক্ত অজিত কলিতা আৰু সৰ্ব শিক্ষা বিভাগৰ গাণনিক বিষয়া সঞ্জীৱ বিশ্বাস উপস্থিত থাকে। ভাষণ প্ৰসংগত ড০ ৰাজবংশীয়ে অনুষ্ঠানৰ প্ৰতিটো কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজৰ সহযগিতা কামনা কৰে। একেদৰে অনুষ্ঠানটিত উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি নৰ কুমাৰ ডেকা, উদযাপন সমিতিৰ সাধাৰণ সম্পাদক হৰেন কলিতা, বিদ্যালয়ৰ অধ্যক্ষ ৰেখা মণি বৰুৱা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কমলেশ্বৰ ডেকা প্ৰমুখ্যে বিদ্যালয়ৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ শতাধিক ৰাইজ উপস্থিত থাকে। উল্লেখ্য যে, ১৯৪৮ চনতে প্ৰতিষ্ঠা হোৱা বিদ্যালয়খনে চলিত বছৰটি মহাৰজত জয়ন্তী বৰ্ষ হিচাপে উদযাপন কৰিছে আৰু অহা ২৭, ২৮ আৰু ২৯ ডিচেম্বৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাৰজত জয়ন্তী সামৰণি অনুষ্ঠান উদযাপনৰ আয়োজন কৰিছে। ইপিনে, সামৰণি অনুষ্ঠানৰ সাংস্কৃতিক অনুষ্ঠানত নতুন প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গক আমন্ত্ৰণ কৰা হ'ব বুলি সভাপতি ড০ ৰাজবংশীয়ে ঘোষণা কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যত নিষিদ্ধ হ'ল গো-মাংস

অনুযায়ী এতিয়াৰে পৰা অসমত গৰুৰ মাংস মুকলি বজাৰত বিক্ৰী কৰাৰ ক্ষেত্ৰত চৰকাৰে বাধা আৰোপ কৰাৰ লগতে হোটেল, ৰেষ্টুৰেণ্ট আৰু ৰাজহুৱা ভোজতো ব্যৱহাৰ কৰিব নোৱাৰিব এক জৰুৰী কেবিনেটত চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। ২০২১ চনৰ জুলাই মাহতে অসমত গো-সুৰক্ষা আইন গ্ৰহণ কৰি গৰু হত্যা আৰু সৰবৰাহৰ ক্ষেত্ৰত চৰকাৰে নিষেধাজ্ঞা আৰোপ কৰিছিল। মন্দিৰ আৰু ৰাজহুৱা স্থানৰ পৰা ৫ কিলোমিটাৰ ব্যসাৰ্ধত গো-মাংস বিক্ৰী কৰাতো নিষিদ্ধ আছিল যদিও এতিয়াৰ পৰা চৰকাৰে সম্পূৰ্ণৰূপে গো-মাংসত বাৰণ আনিছে। উল্লেখ্য যে, চামগুৰিৰ উপ-নিৰ্বাচনত একাংশ ইছলামধৰ্মী লোকৰ মাজত গো-মাংসৰ ভোজ অনুষ্ঠিত কৰি বিজেপিয়ে নিৰ্বাচনী ৰণ জিকাৰ কৌশল কৰা বুলি সাংসদ ৰকিবুল হুছেইনে ৰাজহুৱাভাৱে অভিযোগ উত্থাপন কৰাৰ পিছতে বিজেপি নেতাসকল অস্বস্তিত পৰে আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ দলক প্ৰত্যক্ষভাৱে গো-মাংস নিষিদ্ধ কৰাৰ বাবে পত্ৰ লিখি দিলেই চৰকাৰে নিষেধাজ্ঞা আৰোপ কৰিব বুলি ঘোষণা কৰিছিল। এনে পৰিস্থিতিত ৰাজ্যজুৰি গো-মাংসৰ ৰাজনীতি সন্দৰ্ভত তুমুল বিতৰ্কৰ সৃষ্টি হয় আৰু তাৰ মাজতে অনলাইন এক কেবিনেটত এনে সিদ্ধান্ত গ্ৰহণ কৰে বুলি জানিব পৰা গৈছে। বিজেপিৰ একাংশ নেতাই গো-মাংসৰ ৰাজনীতি আৰু ছিণ্ডিকেট কৰাৰ কথা ৰাজহুৱা হোৱাৰ লগে লগে গেৰুৱা দলটো আৰএছএছৰ নেতাৰ দ্বাৰা তীব্ৰ সমালোচনাৰ সন্মুখীন হয় আৰু মুখললজ্জাৰ বাবে শেহতীয়াভাৱে এনে সিদ্ধান্ত গ্ৰহণ কৰা বুলি চৰ্চিত হৈছে। ২০২১ চনত গৃহীত বিধেয়কত উল্লেখ আছে যে, জধে মধে গো মাংস কটা, বিক্ৰী আৰু সৰবৰাহ নিষিদ্ধ হ'ব। আইনখনত উল্লেখ থকা অনুযায়ী হিন্দু, জৈন, শিখ আৰু গো-মাংস ভক্ষণ নকৰা লোকৰ এলেকা তথা মন্দিৰ, সত্ৰৰ পৰা ৫ কিঃমিঃ ব্যাসাৰ্ধৰ ভিতৰত গো-মাংস বিক্ৰী কৰিব নোৱাৰিব। চৰকাৰৰ অনুমতি অবিহনে অসমৰ মাজেৰে অন্য ৰাজ্যলৈ, অসমৰ কোনো স্থানৰ পৰা গো-মাংস কটাত আইনী বাধা নথকা অন্য ৰাজ্যলৈ গৰু সৰবৰাহ কৰিব নোৱাৰিব। এখন জিলাৰ ভিতৰত কৃষি কৰ্মত ব্যৱহাৰৰ বাবে গৰু সৰবৰাহ কৰাত বাধা নাথাকিব। পঞ্জীয়নভুক্ত বজাৰৰ পৰা আন পঞ্জীয়নভুক্ত পশু বজাৰলৈ গো-ধন সৰবৰাহতো আইন অনুযায়ী বাধা নাই। বিধানসভাত বিধেয়কখন সংশোধন নকৰাকৈ কেবিনেটযোগে খৰধৰকৈ সিদ্ধান্ত ল'বলগীয়া হোৱা বিষয়টোৱে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা হিন্দুত্ববাদী লবীৰ সাংঘাতিক হেঁচাত আছে বুলি স্পষ্ট হৈ পৰিছে। ইতিপূৰ্বে থকা গো-সুৰক্ষা আইনখন সংশোধনী প্ৰস্তাৱ আনিবলৈ মুখ্যমন্ত্ৰীয়ে কিয় অপেক্ষা নকৰিলে বুলিও বহুতে প্ৰশ্ন উত্থাপন কৰিছে। কেবিনেটৰ এই সিদ্ধান্তৰ পিছতে শেহতীয়াকৈ বিজেপিৰ গো-মাংস বিতৰ্কক লৈ সৰৱ হৈ পৰা বিৰোধী কংগ্ৰেছক তীব্ৰ প্ৰত্যাহ্বান জনায় মন্ত্ৰী পীযুষ হাজৰিকায়ো। তেওঁ এক্সত এক পোষ্ট কৰি লিখে, "মই অসম কংগ্ৰেছক প্ৰত্যাহ্বান জনাইছো, হয় গো-মাংস নিষেধাজ্ঞাক সমৰ্থন কৰক, নহ'লে পাকিস্তানলৈ গৈ তাতেই থাকিবলৈ লওক।" উল্লেখ্য যে, বুধবাৰে অনুষ্ঠিত হোৱা ৰাজ্যৰ কেবিনেট বৈঠকত বৰ্তমানৰ আইনখন সংশোধন কৰি গো-মাংস খোৱাৰ ক্ষেত্ৰত নতুন দফা সংযোজন কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই সন্দৰ্ভত সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে আমি ৰেষ্টুৰেণ্ট, হোটেল আৰু ৰাজহুৱা স্থানত গো-মাংস পৰিৱেশন আৰু ভক্ষণত নিষেধাজ্ঞা আৰোপ কৰাৰ সিদ্ধান্ত লৈছো। তদুপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ইতিমধ্যে গো-মাংসৰ ওপৰত কঠোৰ আইন প্ৰণয়ন কৰা হৈছে। অৱশ্যে আজিৰ কেবিনেট বৈঠকত বিষয়টো বিতংভাৱে আলোচনা কৰি ৰাজ্যজুৰি ৰাজহুৱা স্থানত গো-মাংস খোৱাত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ইফালে চৰকাৰৰ এই সিদ্ধান্তক "ঐতিহাসিক" বুলি অভিহিত কৰি দৰং-ওদালগুৰি সমষ্টিৰ বিজেপি সাংসদ দিলীপ শইকীয়াই কয় যে এই সিদ্ধান্তক সাম্প্ৰদায়িক দৃষ্টিকোণৰ পৰা নহয়, ধৰ্মীয় আৱেগৰ প্ৰতি সন্মানৰ প্ৰতীক হিচাপেহে চাব লাগে। তেওঁ অৱশ্যে স্পষ্ট কৰি দিয়ে যে ব্যক্তিগতভাৱে গো-মাংস খোৱাত কোনো নিষেধাজ্ঞা নাই। উল্লেখ্য যে, শেহতীয়াকৈ অনুষ্ঠিত হোৱা চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত বৃহৎ বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল বিজেপিয়ে। মুছলমান সংখ্যাগৰিষ্ঠ এই সমষ্টিটোত বিজেপিয়ে গো-মাংস বিতৰণ কৰি ৰাজনৈতিক স্বাৰ্থ আদায় কৰাৰ অভিযোগেৰে সোচ্চাৰ হৈ আছে বিৰোধী। এই অভিযোগ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, 'কংগ্ৰেছে এই বিষয়টো উত্থাপন কৰাত মই সুখী। কংগ্ৰেছে বিগত পাঁচবাৰ এই আসনখন দখল কৰিছিল। কিন্তু এইবাৰ চামগুৰিৰ দৰে আসনত ২৭ হাজাৰ ভোটৰ ব্যৱধানত পৰাজিত হৈছে। এয়া কংগ্ৰেছৰ ইতিহাসৰ আটাইতকৈ অপমানজনক পৰাজয়।" তেওঁ আৰু কয়, "এয়া বিজেপিৰ জয়তকৈ কংগ্ৰেছৰ বাবে অধিক পৰাজয়। এই ফলাফল বিজেপিৰ বাবে এক ডাঙৰ কৃতিত্ব।" গো-মাংস নিষিদ্ধকৰণৰ লগতে আজিৰ কেবিনেটত গুৱাহাটী-বিমানবন্দৰ সংযোগী পথ ৬ লেনযুক্ত কৰিবলৈকো সিদ্ধান্ত লোৱা হয়। গুৱাহাটী-বৰাপানী আৰু বৰাপানী-শিলচৰ এক্সপ্ৰেছৱে'ৰ প্ৰকল্পৰ কথা চিন্তা কৰা বুলি কয়। এই প্ৰকল্পত ২৫ হাজাৰ কোটি টকা খৰচ হ'ব। ইয়াৰ ফলত দিনটোৰ ভিতৰতে বৰাকৰ পৰা অহা-যোৱা কৰিব পৰা যাব আৰু সময় ৰাহি হ'ব। মৰিগাঁও-দৰং জিলাক পথেৰে সংযোগ কৰাৰ কথাও কেবিনেটৰ পিছত নতুন দিল্লীত অনুষ্ঠিত কৰা বিশেষ সংবাদমেলত ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। ব্ৰহ্মপুত্ৰৰ ওপৰত নতুন দলঙৰ প্ৰকল্প হাতত লোৱাৰ কথা উল্লেখ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। আনহাতে, সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে মন্ত্ৰীসভা সম্প্ৰসাৰণ কেতিয়া কৰা হ'ব সেই কথাও সদৰী কৰে। তেওঁ কয় যে অহা ৭ ডিচেম্বৰৰ দিনৰ ১২ বজাত নতুন মন্ত্ৰীয়ে শপত ল'ব। অসম মন্ত্ৰীসভাত স্থান প্ৰাপ্ত বিধায়কৰ নাম দুদিনৰ ভিতৰত ঘোষণা কৰিব বুলি কৈ মুখ্যমন্ত্ৰীয়ে কয় যে বৰাকৰ পৰা নিশ্চিতভাৱে মন্ত্ৰীসভাত স্থান দিয়া হ'ব। এজনে পায় নে দুজনে পায় সেয়া চোৱা যাব। ইতিমধ্যে বিজেপি নেতৃত্বক এই সন্দৰ্ভত সবিশেষ তথ্য দাখিল কৰা হৈছে বুলিও তেঁও জনায়।

# জনপ্ৰিয় অনাতাঁৰ নাট্য শিল্পী ছৈয়দ নাজিম আহমেদৰ দেহাৱসান

**ই-সংবাদ, ৪ ডিচেম্বৰঃ** নাট্যৰ সাধনাত ব্ৰত অসমৰ বিশিষ্ট নাট্য ব্যক্তিত্ব চৈয়দ নাজিম আহমেদৰ দেহাৱসান। দীৰ্ঘদিন ধৰি অসুস্থ চৈয়দ নাজিম আহমেদে আজি লখিমপুৰত শেষ নিশ্বাস ত্যাগ কৰে। নাট্যকাৰ, অভিনেতা, পৰিচালক, আবৃত্তিকাৰ, অসম নাট্য সন্মিলনৰ প্ৰাক্তন কাৰ্যকৰী সভাপতি, উত্তৰ লখিমপুৰ সাহিত্য সভাৰ প্ৰাক্তন সম্পাদকগৰাকীৰ আজি সন্ধিয়া দেহাৱসান ঘটে। ওৰে জীৱন নাটকৰ সৈতে জড়িত হৈ অসমৰ নাট্য আন্দোলনক নতুন ৰূপ দিবলৈ সক্ষম হৈছিল। বিশিষ্ট নাট্য ব্যক্তিত্ব চৈয়দ নাজিম আহমেদে বিভিন্ন প্ৰান্তত নাটকৰ কাম কৰি সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। জনপ্ৰিয় অনাতাঁৰ নাট্য শিল্পী, অৱসৰপ্ৰাপ্ত শিক্ষক, কেইবাটাও নাট্য অনুষ্ঠানৰ পুৰোধা তথা বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ অগ্ৰণী সেৱক আহমেদৰ মৃত্যুত ৰাজ্যৰ দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## হিতাধিকাৰীৰ সৈতে মতবিনিময়, বানপানীৰ ক্ষয়-ক্ষতি সম্পৰ্কে পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ

# দুদিনীয়া বিশেষ কাৰ্যসূচীৰে নগাঁও জিলাত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য



**ই-সংবাদ, পুৰণিগুদাম, ৪ ডিচেম্বৰঃ** অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য দুদিনীয়া কাৰ্যসূচীৰে আজি নগাঁও জিলাত উপস্থিত হৈ ৰহাসম-জিলাৰ বিগত বানত কপিলী নদীয়ে বেয়াকৈ ক্ষতিগ্ৰস্ত কৰা বগলাজান কামপুৰ সংযোগী পথটি পৰিদৰ্শন কৰে। ইয়াৰ পিছতে তেওঁ পূব বগলাজান নামঘৰ প্ৰাংগণত স্থনীয় ৰাইজৰ সৈতে মত-বিনিময় কৰে। তাৰোপৰি তেওঁ ৰহা উন্নয়ন খণ্ডৰ অন্তৰ্গত বগলাজান গাঁও পঞ্চায়তৰ কুঁৰৰীতলিৰ অমৃত সৰোবৰ আৰু বাহাকাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়খন পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়ত্ৰীসকলৰ সৈতে মত-বিনিময় কৰে।তেওঁৰ এই পৰিদৰ্শনকালত তিনিসুঁতি চিগা অংশৰ মেৰামতি সম্পূৰ্ণ হোৱাৰ কামৰ পৰিদৰ্শন কৰে। ইয়াৰ পিছতে তেওঁ ভোগেশ্বৰ হাজৰিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বেবেজীয়াডিমৌ বাংঠাই গাঁও পঞ্চায়তৰ অন্তৰ্গত টুকোলাই বেবেজীয়া গাঁৱৰ উদ্যোগত আয়োজিত "গাঁৱত ৰাজ্যপাল" শীৰ্ষক এখন আলোচনা সভাত অংশগ্ৰহণ কৰে। সভাত ভাৰত চৰকাৰ আৰু অসম চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন আঁচনিসমূহ সৰ্বসাধাৰণ ৰাইজে সঠিকভাৱে লাভ কৰিছেনে নাই এই সন্দৰ্ভত আলোচনা কৰে। সভাত চৰকাৰী বিভিন্ন আঁচনি যেনে বৃদ্ধ পেঞ্চন, ৰেচন কাৰ্ড, প্ৰধানমন্ত্ৰীৰ আবাস যোজনা, আয়ুষ্মান কাৰ্ড, অৰুণোদয় আদি আঁচনিৰ দ্বাৰা উপকৃত হোৱা কেইবাগৰাকী হিতাধিকাৰীৰ সৈতে তেওঁ মত- বিনিময় কৰে। ৰাইজে যাতে চৰকাৰী আঁচনিসমূহৰ পৰা বঞ্চিত নহয় তাৰ প্ৰতি বিভাগীয় কৰ্তৃপক্ষক সতৰ্ক দৃষ্টি ৰাখিবলৈ লগতে সহায় সহযোগিতা আগবঢ়াবলৈ তেওঁ আহ্বান জনায়। বিয়লি ৰাজ্যপাল গৰাকীয়ে নগাঁও জিলাৰ আয়ুক্ত কাৰ্যলয় সভাকক্ষত বিগত হৈ যোৱা বানপানীৰ ক্ষয়-ক্ষতি, ক্ষতিপূৰণ আৰু সুৰক্ষা ব্যৱস্থাৰ ওপৰত জিলাৰ সংশিষ্ট বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত ডাঙৰীয়াই দৃশ্য-শ্ৰাব্য মাধ্যমৰ দ্বাৰা জিলাখনত বিগত বানপানীৰ সময়ত লোৱা সুৰক্ষা ব্যৱস্থা,ক্ষয়-ক্ষতি আৰু ক্ষতিপূৰণৰ এক খতিয়ান সভাত উপস্থাপন কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ এই ভ্ৰমণ কাৰ্যসূচীত ৰহা বিধানসভা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, জিলা উন্নয়ন আয়ুক্ত গুণজিৎ কাশ্যপ, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিবেক শ্যাম, ৰহা সম-জিলাৰ সম আয়ুক্ত ফিলিছ ভি.এল.এইছ. হুংচাল, জিলাখনৰ চক্ৰ বিষয়া সকল,খণ্ড উন্নয়ন বিষয়াসকল আৰু বিভিন্ন বিভাগৰ উচ্চপদস্থ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

# টাইপাৰ চৰাইদেউ অধিবেশনৰ লাইখুটা স্থাপন

**ই-সংবাদ, সোণাৰি, ৪ ডিচেম্বৰঃ** টাই আহোম জনগোষ্ঠীৰ সৰ্বাংগীন বিকাশৰ বাবে সংগ্ৰাম অব্যাহত ৰখা অন্যতম বলিষ্ঠ সংগঠনটোৰেই হ'ল টাই আহোম যুৱ পৰিষদ অসম। ৩০ টা বৰ্ষ গৰকা বলিষ্ঠ সংগ্ৰামী সংগঠনটোৱে জন্ম লগ্নৰেপৰা জনগোষ্ঠীটোৰ উন্নয়নৰ স্বাৰ্থত মাত মাতি আহিছে। টাই আহোম জনগোষ্ঠীক জনজাতিকৰণ প্ৰদানৰ দাবী জনোৱাৰ লগতে জনগোষ্ঠীটোক কিদৰে বৌদ্ধিক, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি প্ৰতিটো দিশতে আগবঢ়ায় লৈ যাব পাৰি তাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে টাইপাই। বিভিন্ন ঘাট-প্ৰতিঘাটৰ মাজেৰে সংগ্ৰাম অব্যাহত ৰখা টাই আহোম যুৱ পৰিষদ অসম চমুকৈ টাইপাৰ ষষ্ঠতম কেন্দ্ৰীয় চৰাইদেউ অধিবেশনখন অহা ৩, ৪ আৰু ৫ জানুৱাৰীত সোণাৰিৰ ভজো মাজপথাৰত অনুষ্ঠিত হ'ব। অধিবেশনৰ সামগ্ৰিক দিশটো পৰিচালনা কৰিবলৈ ইতিমধ্যে সাংস্কৃতিক কৰ্মী তথা নাট্যকাৰ ডিম্বেশ্বৰ কোঁৱৰক সভাপতি, পূৰ্ণানন্দ ফুকন আৰু লোহিত গগৈক কাৰ্যকৰী সভাপতি, পূৰ্ণানন্দ হাটীমূৰীয়া আৰু ক্ষমা হাজৰিকাক যুটীয়া সম্পাদক হিচাপে লৈ উদযাপন সমিতি গঠন কৰি অধিৱেশনৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। আনহাতে আজি লাইখুটা স্থাপন কৰি তিনিদিনীয়া অধিৱেশনৰ কাৰ্যসূচী সন্দৰ্ভতো ঘোষণা কৰে টাইপাৰ সভাপতি বিজয় ৰাজকোঁৱৰে। টাই আহোম পৰম্পৰা অনুসৰি মলুঙ নন্দেশ্বৰ ফুকনৰ তত্বাৱধানত বানফী অনুষ্ঠিত কৰি আজি লাইখুটা স্থাপন কৰা সময়ত উপস্থিত থাকে সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, টাইপাৰ সাধাৰণ সম্পাদক ৰুদ্ৰ সাগৰ বুঢ়াগোহাঁইৰ লগতে টাইপাৰ কেন্দ্ৰীয় সমিতিৰ বহু কেইগৰাকী উপদেষ্টা, বিষয়ববীয়াৰ লগতে চৰাইদেউ, শিৱসাগৰ, তিনিচুকীয়া, ডিব্ৰুগড়, মৰাণকে ধৰি কেইবাখনো জিলা সমিতিৰ বিষয়ববীয়া। ভজোৰ মাজপথাৰত বিশাল মণ্ডপত অনুষ্ঠিত হ'বলগীয়া অধিৱেশনৰ লগত সংগতি ৰাখি গ্ৰন্থ মেলা, বাণিজ্য মেলা, জনগোষ্ঠীয় খাদ্য মেলা অনুষ্ঠিত হোৱাৰ সমান্তৰালকৈ ছাত্ৰ ছাত্ৰীৰ মাজত বক্তৃতা প্ৰতিযোগিতা, সাজপাৰ প্ৰতিযোগিতা, বিশেষ বক্তৃতানুষ্ঠান, বাৰেৰহনীয়া জনগোষ্ঠীয় সাংস্কৃতিক শোভাযাত্ৰাৰ উপৰিও যুৱ সমাৰোহ আয়োজন কৰা হৈছে। মুকলি সভাত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী, ৰাজ্যৰ কেবিনেট মন্ত্ৰী বিধায়ক তথা ৰাজ্যৰ প্ৰায় কেইটা জাতীয় -জনগোষ্ঠীয় সংগঠনৰ নেতৃবৰ্গ আৰু চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ, নগালেণ্ডৰ বিশিষ্ট অতিথি উপস্থিত থাকিব। আনহাতে বিশেষ বক্তৃতানুষ্ঠানত বক্তৃতা প্ৰদান কৰিবলৈ বিশিষ্ট নিবন্ধকাৰ ময়ূৰ বৰা, বিবিচি এচিয়া পেচিফিকৰ এডিটৰিৱেল লীড শচীন গগৈ, নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ব বিভাগৰ সহকাৰী অধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁইক আমন্ত্ৰণ জনোৱা হৈছে। অধিৱেশনৰ আটাইকেইটা দিনতে জনপ্ৰিয় কণ্ঠশিল্পীৰদ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব বুলিও আয়োজকে জনাইছে।

**ঘৰেই হৈছে শিক্ষাৰ প্ৰথম ভেটি, শিক্ষাই হৈছে মানৱ জীৱন গঢ়াৰ মূলমন্ত্ৰঃ সমাজকৰ্মী ছফি**

# আঞ্চলিক ইয়ুথছ ইউনাইটেড অৰ্গেনাইজেশ্যনৰ বাৰ্ষিক অধিৱেশন সম্পন্ন

**ই-সংবাদ, ৪ ডিচেম্বৰঃ** বৰপেটা জিলাৰ চেংগা বিধানসভা সমষ্টিৰ যাদৱপুৰৰ আঞ্চলিক ইয়ুথছ ইউনাইটেড অৰ্গেনাইজেচন নামৰ স্বেচ্ছাসেৱী সংস্থাৰ দ্বিতীয় বাৰ্ষিক অধিৱেশন ১ আৰু ২ ডিচেম্বৰত উলহ-মালহেৰে সম্পন্ন হৈ যায়। যাদৱপুৰ হাইস্কুল খেলপথাৰত অনুষ্ঠিত এই অধিৱেশনৰ কাৰ্যসূচী অনুসৰি ১ ডিচেম্বৰৰ পুৱা ৮ গৰাকী বিশিষ্ট ব্যক্তিৰ পৰিচালনাত ছাফাই অভিযান, ৮ বজাত জোনাব আলীৰ দ্বাৰা পতাকা উত্তোলন, ৯ বজাত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। ১ বজাৰ পৰা অনুষ্ঠিত নৃত্য প্ৰতিযোগিতা সামৰণি পৰাৰ পিছতে ৪ বজাৰ পৰা প্ৰধান শিক্ষক জালালুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাত প্ৰাক্তন বিধায়ক ডাঃ তাৰাপ্ৰসাদ দাস, বিশিষ্ট অতিথি হিচাপে মন্দিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া তৰণী দাস, অসম ছাত্ৰ পৰিষদৰ নেতা ইলিয়াছ আলী আহমেদ উপস্থিত থাকে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে বিজেপি নেতা হাছান আলী, আমন্ত্ৰিত অতিথি হিচাপে আপ নেতা জাহিদুল ইছলাম খান, সমাজকৰ্মী আব্দুল কৰিম, মোছলেমুদ্দিন, হজৰত আলী আহমেদ উপস্থিত থাকে। নিশা ৮ বজাত ধৰণীধৰ মেধিয়ে উদ্বোধন কৰা সাংস্কৃতিক সন্ধিয়াত সংগীত পৰিৱেশন কৰে উম্মে হাবিবা নুৰীয়ে। ২ ডিচেম্বৰৰ পুৱা ১২গৰাকী বিশিষ্ট ব্যক্তিৰ পৰিচালনাত ছাফাই অভিযান, ১০ বজাত আকস্মিক বক্তৃতা প্ৰতিযোগিতা, ১১ বজাত কুইজ প্ৰতিযোগিতা, ২ বজাত সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৪ বজাত কেইবাশ লোকৰ উপস্থিতিত মুকলি আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। জালালুদ্দিন



আহমেদৰ সভাপতিত্বত অনুষ্ঠিত মুকলি আৰু বঁটা বিতৰণী সভাত স্থানীয় বিধায়ক, সমাজকৰ্মী আব্দুল মালিক, শ্বাহ আলম, শ্বাহজাহান আলী আহমেদ, বাবুল হুছেইন, ৰাজিবুল ইছলাম, মণিৰুদ্দিন, মাহাবুৰ ৰহমান, দেৱান শ্বাহজামান হুছেইন, ৰমজান আলী খান, আব্দুৰ ৰশ্বিদ খান, ৰফিকুল ইছলাম, ৰাকিবুল হুছেইন আদি উপস্থিত থাকে। মুকলি আৰু বঁটা বিতৰণী সভাৰ সমাপ্তিৰ পিছতে ৯ বজাৰ পৰা শিল্পী আকলিমা পাৰবিনৰ বিশেষ সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়। বিশেষ সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী তথা কংগ্ৰেছ নেতা ছফি জামাল হুছেইনে। চেংগা সমষ্টিৰ বিশিষ্ট সমাজকৰ্মী ছফি জামাল হুছেইনে সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰি সাৰুৱা ভাষণত উপস্থিত ৰাইজলৈ কেইবাটাও বিশেষ আহ্বান জনায়। ছফি জামাল হুছেইনে আঞ্চলিক ইয়ুথছ ইউনাইটেড অৰ্গেনাইজেচনে শিক্ষা-সমাজ সংস্কাৰৰ হকে কাম কৰি থকাত ধন্যবাদ জ্ঞাপন কৰি উঠি অহা প্ৰজন্মক সকলো দিশতে পাৰদৰ্শী কৰি তুলিবলৈ কৈ কয় যে আমাৰ সমাজখন পিছপৰি ৰোৱাৰ কাৰণ হৈছে আমি শিক্ষাক গুৰুত্ব দিয়া নাই। যদি আমি উপযুক্ত শিক্ষাৰে নতুন প্ৰজন্মক শিক্ষিত কৰিব নোৱাৰো তেতিয়া আমি সদায়েই লাঞ্চিত-বঞ্চিত হৈ থাকিম। জাতিক উদ্ধাৰ কৰিব লাগিলে আমাক অতিকৈ দৰকাৰ শিক্ষা। অভিভাৱকসকলক আহ্বান জনাই ছফি জামাল হুছেইনে আৰু কয় যে ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশত অভিভাৱকসকলৰ বিশেষ ভূমিকা নিহিত হৈ থাকে। সেয়েহে প্ৰতিজন অভিভাৱকে ঘৰখনত পঢ়াৰ পৰিৱেশ গঢ়ি তুলিবই লাগিব। ঘৰখন হ'ল শিক্ষাৰ প্ৰথম ভেটি। শিক্ষা হৈছে মানৱ জীৱন গঢ়াৰ মূল ভেটি। আমি আমাৰ শিক্ষা ব্যৱস্থাক আৰু আমাৰ শিক্ষানুষ্ঠানক গুৰুত্ব দিব লাগিব বুলিও কয় ছফি জামাল হুছেইনে।

# ডুমডুমীয়া বালিসত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষৰ বিত্তীয় কেলেংকাৰী

**জিলা আয়ুক্তৰ নিৰ্দেশ অমান্য, জিলা আয়ুক্তক বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী**

**ই-সংবাদ, বেবেজীয়া, ৪ ডিচেম্বৰঃ** নগাঁও জিলাৰ ডুমডুমীয়া বালিসত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মতিবুৰ ৰহমানৰ বিত্তীয় কেলেংকাৰীৰ নতুন তথ্যই ডুমডুমীয়া-বালিসত্ৰ অঞ্চলবাসীক পুনৰ লজ্জিত কৰি তুলিছে। দুৰ্নীতিৰ বাবে পেন্সন পাবলৈ সমৰ্থ নোহোৱা প্ৰাক্তন অধ্যক্ষগৰাকীৰ কাৰ্যকালৰ বিভিন্ন চৰকাৰী পুঁজিৰ অডিট কৰিবৰ বাবে নগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ Memo No. IS/NDC/AAP/A/DCN/2023/39, dtd-01-07-2024 মতে নগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে Memo No. IS/NDC/ AAP/ SUS/2024/2356-A, dtd-19-08-2024 ৰ জৰিয়তে বিদ্যালয়খনৰ বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীপৰাগ দেৱনাথলৈ ব্যৱস্থা গ্ৰহণৰ বাবে জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। তদুপৰি Memo No. IS/NDC/AAP/A/ DCN/2023/2357-A, dtd- 19-08-2024 ৰ দ্বাৰা বিদ্যালয় পৰিদৰ্শকে আন এক নিৰ্দেশত মধ্যাহ্ন ভোজনৰ কেলেংকাৰীৰ বাবদ প্ৰাক্তন অধ্যক্ষ গৰাকীয়ে ১,৪৮,৮৮৬ টকা তাৎক্ষণিকভাবে নগাঁও কোষাগাৰত জমা দিয়াৰ ব্যৱস্থা কৰিবলৈ বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষলৈ জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। কিন্তু নগাঁও জিলাৰ আয়ুক্ত আৰু নগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ নিৰ্দেশ সংক্ৰান্তত প্ৰাক্তন অধ্যক্ষগৰাকীয়ে ৰহস্যজনকভাৱে মৌনতাহে অৱলম্বন কৰি আছে। সেয়ে মধ্যাহ্ন ভোজন আৰু বিদ্যালয়লৈ যোগান ধৰা চৰকাৰী পুঁজিসমূহৰ বিত্তীয় কেলেংকাৰীৰ পৰা যাতে প্ৰাক্তন অধ্যক্ষজন সাৰি যাব নোৱাৰে তাৰ বাবে নগাঁও জিলাৰ আয়ুক্তৰ দ্বাৰা পুনৰ জৰুৰী বিহিত ব্যৱস্থা গ্ৰহণৰ অনুৰোধ জনাইছে সচেতন মহলে।

# নাজিৰাত দিব্যাংগ দিৱস উদযাপন 'বঠা'ৰ

**ই-সংবাদ, গেলেকী, ৪ ডিচেম্বৰঃ** নাজিৰাৰ অন্যতম সামাজিক অনুষ্ঠান বঠা, যি বিগত সময়ত বিশেষভাৱে সক্ষমসকলৰ বাবে প্ৰয়োজনীয় বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। বিগত বৰ্ষৰ দৰে এইবাৰো বঠায়ে আয়োজন কৰা আন্তৰ্জাতিক দিব্যাংগ দিৱসত সমগ্ৰ শিক্ষা অভিযান মিছন, নাজিৰায়ো সহযোগিতা আগবঢ়ায়। বঠা আৰু সমগ্ৰ শিক্ষা অভিযান মিছন, নাজিৰাৰ উদ্যোগত নাজিৰা মহকুমা ৰাইজৰ সহযোগত লিগিৰী পুখুৰী বাগিচা প্ৰাথমিক বিদ্যালয়ত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা অনুষ্ঠানত পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষ ৰোপণৰ পিছতে আয়োজিত সাহিত্য প্ৰতিযোগিতা উদ্বোধন কৰে অধিবক্তা পংকজ মহন্তই। ইয়াৰ সমান্তৰালভাৱে এক বিনামূলীয়া চিকিৎসা শিবিৰো আয়োজন কৰা হয়। ইয়াৰ পিছতে বঠাৰ তত্বাৱধায়ক ফটিক বৰুৱাই আঁত ধৰা, নাজিৰাৰ জ্যেষ্ঠ সাংবাদিক, শিক্ষাবিদ বীৰেন শৰ্মাৰ সভাপতিত্বত আয়োজিত মুকলি সভাত শিক্ষাবিদ ৰাজেন শৰ্মা, মঞ্জু ঘৰফলীয়া বড়া, চিন্মী বৰা, নাজিৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি প্ৰকাশ নাথ, সম্পাদক শৈলেন কলিতা, সমাজকৰ্মী হেমন্ত ৰাজখোৱা, ভবানন্দ বৰা, তুলসী গগৈ, মৃদুল মহন্ত, নিজামউদ্দিন আহমেদ, এ এম পাপু বৰা, নিৰুপমা ৰাজখোৱা, ৰিবুলয়া গগৈ, নিৰুপমা দত্ত, ভাস্কৰ জ্যোতি মহন্ত অতিথি হিচাপে উপস্থিত থাকে। সভাৰ আৰম্ভণিতেই বিশিষ্ট অতিথিসকলৰ দ্বাৰা উপস্থিত বিশেষভাৱে সক্ষমসকলক সম্বৰ্ধনা জনোৱা হয়। কণ্ঠশিল্পী পাখি শইকীয়া, প্ৰভাত কোঁৱৰৰ গীত আৰু টিংকু মাহালীৰ নেতৃত্বত ঝুমুৰ পৰিৱেশনৰে অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানত সমগ্ৰ শিক্ষা অভিযান মিছনৰ বিষয়ববীয়াসকলো উপস্থিত থাকি বক্তব্য আগবঢ়ায়। সভাত তত্বাৱধায়ক ফটিক বৰুৱাই যিসকল বিশেষভাৱে সক্ষম ব্যক্তিয়ে এতিয়াও UDID কাৰ্ড লাভ কৰা নাই আৰু চৰকাৰী সা-সুবিধা লাভ কৰাৰ পৰা বঞ্চিত হৈ আছে তেওঁলোকক বঠা অনুষ্ঠানৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনায়। মুকলি সভাতেই সাহিত্য প্ৰতিযোগিতাৰ বিজয়ীসকলক বঁটা বিতৰণ কৰাৰ পিছতে প্ৰীতি ভোজৰ আয়োজন কৰে। অনুষ্ঠানটি সাফল্য মণ্ডিত কৰাৰ বাবে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে বঠাৰ সভাপতি প্ৰণৱ গগৈ আৰু সম্পাদক টিংকু মাহালীয়ে।

# পৰ্বতঝোৰাত দিব্যাংগ শিক্ষাৰ্থীক বিশেষ প্ৰেৰণা বঁটা প্ৰদান

**ই-সংবাদ, পৰ্বতঝোৰা, ৪ ডিচেম্বৰঃ** আন্তৰ্জাতিক দিব্যাংগ দিৱস কালি অসম চৰকাৰে পালন কৰাৰ সমান্তৰালকৈ দিনজোৰা কাৰ্যসূচীৰে বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বগৰীবাৰী উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত কোকৰাঝাৰ জিলা সমগ্ৰ শিক্ষা বিষয়াৰ উদ্যোগত তথা কোকৰাঝাৰ জিলা প্ৰশাসনৰ সহযোগত পালন কৰা হয়। এই অনুষ্ঠানতে প্ৰেৰণা বঁটা-২০২৩ প্ৰদান কৰা হয়। জিলা প্ৰকল্প বিষয়া জাহাংগীৰ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কোকৰাঝাৰ বিটিচিৰ শিক্ষা সঞ্চালক জে পি ব্ৰহ্ম, এডিচি কবিতা ডেকা, জিলা শিক্ষা বিষয়া ৰীতা ৰাভা, পৰ্বতঝোৰা শিক্ষা খণ্ড বিষয়া একাব্বৰ আলী, ৰূপচী সংহত শিশু প্ৰকল্প বিষয়াকে আদি কৰি ভালেসংখ্যক শিক্ষক-শিক্ষয়িত্ৰী, গণ্যমান্য ব্যক্তিৰ লগতে সহস্ৰাধিক ছাত্ৰ-ছাত্ৰী। ইপিনে ২০২৩ বৰ্ষৰ প্ৰেৰণা বঁটা বিজয়ী তিনিগৰাকী শিক্ষক ক্ৰমে মজিবৰ ৰহমান, বিভি প্ৰসাদ ব্ৰহ্মা, সৌৰাংগ ৰাৰীৰ লগতে ভালেকেইগৰাকী দিবাংগ ছাত্ৰ-ছাত্ৰীক প্ৰেৰণা বঁটাৰে সন্মানিত কৰা হয়।

# কমলপুৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত স্বাস্থ্য উৎসৱ ৩.০ আৰম্ভ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ৪ ডিচেম্বৰঃ** ৰাজ্যৰ প্ৰতিগৰাকী লোকক গুণগত স্বাস্থ্য সেৱা প্ৰদান কৰাৰ উদ্দেশ্যে মঙলবাৰৰ পৰা সমগ্ৰ ৰাজ্যজুৰি ১৫৯৯ টা স্বাস্থ্য কেন্দ্ৰত আৰম্ভ হৈছে 'স্বাস্থ্য উৎসৱ-৩.০'। 'স্বাস্থ্য -উৎসৱ'ৰ অংশ হিচাপে কামৰূপ জিলাৰ ৮৩ টা স্বাস্থ্য কেন্দ্ৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হৈছে স্বাস্থ্য-উৎসৱ। কামৰূপ জিলাৰ কমলপুৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত স্বাস্থ্য-উৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। ফুল, বেলুন, গামোচা, জাপিৰে সজাই পৰাই তোলা হৈছে চিকিৎসায়খনৰ প্ৰাংগণ। পুৱা স্বাস্থ্য উৎসৱৰ দ্বাৰ উদঘাটন কৰে আই জি পি নিৰাপত্তাৰ আই পি এছ ইমদাদুল হুছেইন বৰাই। কামৰূপৰ অতিৰিক্ত আয়ুক্ত সুজাতা গগৈ, জ্যেষ্ঠ কৃষি বিষয়া কুমুদ চৌধুৰী, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসক ডাঃ আনাংক্ষা বৰুৱা অনুষ্ঠানত মূল্যায়ক হিচাপে উপস্থিত থাকে। অনুষ্ঠানত আইপিএছ ইমদাদুল হুছেইন বৰাই উল্লেখ কৰে যে 'স্বাস্থ্য উৎসৱ-৩.০'-এ অসমৰ স্বাস্থ্য খণ্ডৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ব। অনুষ্ঠানত উপস্থিত থাকি কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই উল্লেখ কৰে যে কামৰূপ জিলাৰ



হাজো, ৰঙিয়া, তোলাৰাম বাফনা অসামৰিক চিকিৎসায়ৰ লগতে কমলপুৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত আজিৰে পৰা 'আৰোগ্য ৰথ' সংযোজিত হ'ব। অনুষ্ঠানত কামৰূপ জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক মহিতোষ বেনাৰ্জী, জিলা আঁচনি প্ৰবন্ধক স্মিতা শইকীয়া, কমলপুৰ ৰাজহ চক্ৰ বিষয়া বিক্ৰমজিত বৰা, মহকুমা স্বাস্থ্য বিষয়া তথা কমলপুৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ৰ উপ-অধীক্ষক সত্যৰাম বৈশ্য, কমলপুৰৰ খণ্ড আঁচনি প্ৰবন্ধক দীনমণি ঠাকুৰীয়া, কনিষ্ঠ অভিযন্তা প্ৰশান্ত শৰ্মাকে প্ৰমুখ্য কৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ৰঙিয়াত বীৰ লাচিত সেনাৰ কাৰ্যসূচীত অথন্তৰ

**ই-সংবাদ, ৰঙিয়া, ৪ ডিচেম্বৰঃ** অসম দিৱস উপলক্ষে যোৱা ২ ডিচেম্বৰত ৰঙিয়াত বীৰ লাচিত সেনাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা কাৰ্যসূচীৰ অংশ হিচাপে নিশাৰ ভাগত সাংস্কৃতিক অনুষ্ঠানত ব্যাপক অথন্তৰ ঘটাৰ অভিযোগ তুলি গীত পৰিৱেশনৰ বাবে আমন্ত্ৰণ কৰা তিনিগৰাকী কণ্ঠশিল্পী ক্ৰমে নেকিব, মৃণাল মৃত্তিক, চয়নিকা দাসে ৰঙিয়া আৰক্ষীৰ কাষ চাপে। দৰ্শকৰ উপস্থিতি সেৰেঙা হোৱাৰ বাবে তাৎক্ষণিকভাৱে সংগীতানুষ্ঠান বাতিল কৰাৰ অভিযোগ উত্থাপন কৰে শিল্পীসকলে। বাদ্যযন্ত্ৰীসকল নিৰ্ধাৰিত সময়ত উপস্থিত হোৱাৰ পাছতো শ্ৰোতা-দৰ্শকৰ সেৰেঙা উপস্থিতিৰ পৰিপ্ৰেক্ষিতত সংগীতানুষ্ঠান বাতিল কৰা হয় যদিও চুক্তি অনুযায়ী মাননিৰ ধন আদায় নিদিয়াক লৈ লৈ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয় উক্ত স্থানত। যাৰ পৰিপ্ৰেক্ষিতত ৰঙিয়া থানাত এজাহাৰ দাখিল কৰে কণ্ঠশিল্পী কেইগৰাকীয়ে। ইফালে, উক্ত ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আজি দিনৰ ভাগত ৰঙিয়া প্ৰেছ ক্লাবত এক সংবাদমেল সম্বোধন কৰে উদ্যোক্তা সমিতিয়ে। সংবাদমেলত উক্ত অনাকাংক্ষিত ঘটনাৰ বাবে অসমবাসীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি সংগঠনটোৰ ৰঙিয়া আঞ্চলিক সমিতিৰ নেতৃবৃন্দই চুক্তিৰ ধন প্ৰায় ৪০ শতাংশ আগধন হিচাপে আদায় দিয়া বুলি সদৰি কৰে। আনহাতে, বাকী ধনখিনিও পৰ্যায়ক্ৰমে আদায় দিয়া হ'ব। আনহাতে, অনুষ্ঠানত ৰাইজৰ সমাগম সেৰেঙা দেখি আয়োজক সমিতিয়ে কণ্ঠশিল্পী কেইগৰাকীক অনুষ্ঠান বাতিল হোৱা বুলি নিৰ্ধাৰিত সময়ৰ পাঁচ ঘণ্টা পূৰ্বে জানিবলৈ দিছিল যদিও শিল্পীৰ দলটো উপস্থিত হোৱাত এনে অথন্তৰ ঘটে বুলিও স্পষ্ট কৰে সমিতিয়ে।

# আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ জুৰিৰ বিশেষ বঁটা লাভ

**ই-সংবাদ, কোকৰাঝাৰ, ৪ ডিচেম্বৰঃ** আইআইটি-গুৱাহাটীত আয়োজিত ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱ, ২০২৪ত বড়োলেণ্ড বিশ্ববিদ্যালয়ে জুৰিৰ বিশেষ উল্লেখিত বঁটা লাভ কৰিবলৈ সক্ষম হোৱাত বিশ্ববিদ্যালয়খনত আনন্দৰ বন্যা বৈছে। উল্লেখ্য যে যোৱা ৩০ নৱেম্বৰত পৰা ৩ ডিচেম্বৰলৈ আই আই টি-গুৱাহাটীত আয়োজিত হোৱা ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱত ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ, বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদ, ভাৰত চৰকাৰৰ জৈৱ প্ৰযুক্তি বিভাগ, পৃথিৱী বিজ্ঞান মন্ত্ৰালয়, পৰিৱেশ আৰু বন মন্ত্ৰালয়, মহাকাশ বিভাগ, পাৰমাণৱিক শক্তি বিভাগ, বিজ্ঞান ভাৰতী, আইআইটি-গুৱাহাটী, ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, প্ৰতিৰক্ষা গৱেষণা উন্নয়ন সংস্থাৰ লগতে তামিলনাড়ু, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, চত্তিশগড়, উত্তৰাখণ্ড, ঝাৰখণ্ড, গোৱা, পঞ্জাৱ, কৰ্ণাটক, তেলেংগানা, ছিকিম, মণিপুৰ, নাগালেণ্ড, মেঘালয়, ত্ৰিপুৰা, মিজোৰাম আদি ৰাজ্যৰ বিভিন্ন বিজ্ঞান আৰু প্ৰযুক্তি পৰিষদ সংস্থাই অংশগ্ৰহণ কৰিছিল। উক্ত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱত বড়োলেণ্ড বিশ্ববিদ্যালয়ে জুৰী বিশেষ উল্লেখিত বঁটা লাভ কৰাত শীৰ্ষ প্ৰতিষ্ঠানসমূহৰ ভিতৰত যে বড়োলেণ্ড বিশ্ববিদ্যালয়ো অন্যতম সেয়াই প্ৰমানিত হৈছে বুলি চৰ্চিত হৈছে। প্ৰণিধানযোগ্য যে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক বি এল আহুজাই বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ এটি ১২ জনীয়া দল প্ৰেৰণ কৰিছিল। অধ্যাপক সন্দীপ দাস (আই আই এছ এফৰ সমন্বয়ক, ২০২৪), ড° হেমেন শৰ্মা, ড° অৰবিন্দ কৃ. গোৱাল (যুটীয়া সমন্বয়ক),ড° সঞ্জীৱ বৰুৱা, ড° হেমোপ্ৰভা শইকীয়া, ড° ৰাজু আলী, ডাঃ হানখ্ৰায় বড়ো, সুৰয কুমাৰ সিং, জাংগিলা বসুমতাৰী, মিনিশ্ৰাং দৈমাৰী, দ্বাৰিকা চৌহান আৰু মানস প্ৰতীম বৰ্মনে বড়োলেণ্ড বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰিছিল। উল্লেখ্য যে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ বিজ্ঞান বিভাগসমূহৰ সামূহিক প্ৰচেষ্টাই কৃষি, স্বাস্থ্য, গ্ৰাম্য প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা, সেউজ ৰসায়ন, উদ্ভিদ অণুজীৱৰ সহায়ত জৈৱ-প্ৰতিকাৰমূলক প্ৰযুক্তিৰ বিকাশ, নতুন প্ৰজাতিৰ আৱিষ্কাৰ ইত্যাদি বিষয়ত গৱেষণাত সফলতা লাভ কৰিছে। বিশ্ববিদ্যালয়খনে ভেঁকুৰৰ মূল্য সংযোজিত সামগ্ৰী, বিভিন্ন আৱৰ্জনা ব্যৱস্থাপনা প্ৰক্ৰিয়া, শিল্প আৰু শিল্পৰ দৰে বাঁহৰ সামগ্ৰীৰ প্ৰদৰ্শন, শূন্য আৱৰ্জনা উৎপাদন প্ৰক্ৰিয়া, জলজ কৃষি, হাইড্ৰ'পনিক্স, ভাৰ্মিকম্পোষ্টিং, এৰেকানাট প্লেট নিৰ্মাণ ইউনিট, অলংকাৰিক জলজ কৃষি, বাঁহৰ সামগ্ৰী, মৌপালন, মুকুতা খেতি ইত্যাদি বিষয়ত সফলতা দেখুৱাই আহিছে। ইয়াৰোপৰি বিশ্ববিদ্যালয়খনে দহ হাজাৰৰো অধিক কৃষকৰ সৈতে শক্তিশালী সামূহিক সংযোগ, আনুষ্ঠানিক শিক্ষা নথকা কৃষকৰ বাবে বিভিন্ন হ্ৰস্বম্যাদী পাঠ্যক্ৰম, কৃষকৰ পৰা কৃষকৰ শিক্ষণ, বিভিন্ন গ্ৰাম্য ষ্টাৰ্ট আপ, কৃষক কিষাণ ফেল' আদি ৰূপায়ন কৰি বিশ্ববিদ্যালয়ৰ জয়যাত্ৰা অব্যাহত ৰাখিছে। ৰমাকান্ত দেউৰী, দেৱাশীষ শৰ্মাকে ধৰি বহু সংখ্যক গণ্য মান্য লোক উপস্থিত থাকে।

### ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাৰ তীব্ৰ বাক্যবাণ

# বিজেপিক চৰকাৰ গঠন কৰিবলৈ অখিল গগৈৰ আশীৰ্বাদৰ প্ৰয়োজন নাই

**ই-সংবাদ, হাজো, ৪ ডিচেম্বৰঃ** কামৰূপ জিলাৰ অন্তৰ্গত বাগটাত মঙলবাৰে ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা উপস্থিত হৈ শ্বহীদ সত্যনাথ গাওঁ পঞ্চায়তৰ অন্তৰ্গত বাগটা জগদ্ধাত্ৰী পূজা মন্দপৰ সভাগৃহৰ আধাৰশিলা উদ্বোধন কৰে। পঞ্চদশ বিত্তীয় আয়োগৰ কামৰূপ জিলা পৰিষদে আৱন্টন দিয়া ৫ লাখ টকাৰ সভাগৃহৰ আধাৰশিলা স্থাপন কৰি বিধায়ক ভৱেশ কলিতাই অতিৰিক্তভাৱে আৰু ৭ লাখ ৫০ হাজাৰ টকাৰ অনুদান ঘোষণা কৰে। আনহাতে সাংবাদিকৰে হোৱা মুখামুখিত ৰাজ্যিক বিজেপিৰ সভাপতি গৰাকী কংগ্ৰেছ আৰু অখিল গগৈৰ বিৰুদ্ধে সৰৱ হৈ উঠা পৰিলক্ষিত হয়। চুবুৰীয়া বাংলাদেশৰ বৰ্তমান পৰিস্থিতিৰ বাবে পূৰ্বৰ কংগ্ৰেছৰ ভুল নীতিৰ ফল বুলি কটাক্ষ কৰে বিজেপি সভাপতিগৰাকীয়ে। আনহাতে 'কা' আইনৰ বিৰোধিতা কৰা কংগ্ৰেছ দলে বাংলাদেশত হিন্দুৰ নিৰাপত্তা বিচাৰি কৰা প্ৰতিবাদকো হাস্যকৰ বুলি মন্তব্য কৰে। ইয়াৰ উপৰিও ৰাইজৰ দলৰ সভাপতি তথা



শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ এক মন্তব্যৰ আঁত ধৰি বিজেপি সভাপতিগৰাকীয়ে কয় যে ভাৰতীয় জনতা পাৰ্টীক অখিল গগৈৰ আশীৰ্বাদৰ প্ৰয়োজন নাই।

## তিনিচুকীয়াত চিভিল ডিফেন্সৰ বুনিয়াদী প্ৰশিক্ষণ মুকলি

**ই-সংবাদ, ডুমডুমা, ৪ ডিচেম্বৰঃ** অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াস্থিত কাৰ্যালয়ত মঙলবাৰে এক বুনিয়াদী প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াৰ মুখ্য প্ৰতিপালক ড° ৰাজীৱ বৰদলৈ আৰু ভাৰপ্ৰাপ্ত উপ-নিয়ন্ত্ৰক ৰূপান্ত সোণোৱালৰ উপস্থিতিত প্ৰশিক্ষণৰ শুভাৰম্ভ কৰে তিনিচুকীয়া জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই। উদ্বোধনী ভাষণত তেওঁ কয় যে অসামৰিক প্ৰতিৰক্ষাৰ স্বেচ্ছাসেৱক হ'ব পৰাটো নিজৰ বাবে গৌৰৱৰ বিষয় আৰু সমাজৰ বাবে অপৰিহাৰ্য। প্ৰতিজন নাগৰিকৰে দেশ তথা সমাজৰ বাবে কাম কৰাটো এটা অপৰিহাৰ্য কৰ্তব্য। এনে স্বেচ্ছাসেৱকৰ প্ৰশিক্ষণে ব্যক্তিৰ বাস্তৱিক জ্ঞান আৰু ব্যক্তিত্ব গঢ়াতো সহায় কৰে বুলি তেওঁ মত প্ৰকাশ কৰে। অনুষ্ঠানত অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াৰ উপ-মুখ্য প্ৰতিপালক মনোৰঞ্জন মৰাণ, জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰকল্প বিষয়া ৰুবী গগৈ, তথ্য সহযোগী বিজয় প্ৰকাশ গগৈ, অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াৰ প্ৰশিক্ষক মানৱজ্যোতি পাংগিং, ভৃগুৰাজ সিনহা আদি উপস্থিত আছিল। ২২ দিনীয়া এই বুনিয়াদী প্ৰশিক্ষণত তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তৰ মুঠ ৩৫ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনাইছে।

# শুৱালকুছি এঞ্জেলচ ইংলিছ স্কুলৰ শিক্ষয়িত্ৰীক চাকৰিৰ পৰা অপসাৰিত

**ই-সংবাদ, শুৱালকুছি, ৪ ডিচেম্বৰঃ** কামৰূপ জিলাৰ শুৱালকুছি অঞ্চলৰ অন্যতম ব্যক্তিগত খণ্ডৰ বিদ্যালয় শুৱালকুছি এঞ্জেল ইংলিছ স্কুলত কৰ্মৰত সংগীত বিভাগৰ এগৰাকী শিক্ষয়িত্ৰীক বিদ্যালয়ত পলমকৈ উপস্থিত হোৱাৰ অজুহাতত বিদ্যালয় কৰ্তৃপক্ষৰ ৰোষৰ বলি হৈ মূৰ্ছা গৈ চিকিৎসাধীন হোৱা ঘটনাক লৈ অদ্যপি শুৱালকুছি অঞ্চলত প্ৰতিক্ৰিয়া অব্যাহত আছে। মঙলবাৰে "শুৱালকুছি এঞ্জেল ইংলিছ স্কুল"ৰ কৰ্তৃপক্ষই বিদ্যালয়খনৰ কৰ্মৰত শিক্ষয়িত্ৰী গীতাঞ্জলি কলিতাক চাকৰিৰ পৰা বিদ্যালয় কৰ্তৃপক্ষই মৌখিক নিৰ্দেশত অব্যাহতি দিয়ে। ইতিমধ্যে শিক্ষয়িত্ৰীগৰাকীৰ তৰফৰ পৰা বিদ্যালয় কৰ্তৃপক্ষক এই সন্দৰ্ভত লিখিত নিৰ্দেশ বিচাৰিছিল যদিও কৰ্তৃপক্ষই লিখিত নিৰ্দেশ দিবলৈ সন্মতি নহ'ল। উপায়হীন হৈ শিক্ষয়িত্ৰী গীতাঞ্জলি কলিতাই এই সন্দৰ্ভত ন্যায় বিচাৰি শুৱালকুছি আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। উল্লেখ্য যে বিদ্যালয়খনত নিয়োজিত সংগীত শিক্ষয়িত্ৰী আৰু খেল শিক্ষকগৰাকীক নিজৰ নিজৰ বিষয়ৰ ওপৰত শিক্ষাদান কৰাৰ উপৰিও অন্যান্য শ্ৰেণীত পাঠদান কৰিবলৈ বিদ্যালয় কৰ্তৃপক্ষই বাধ্য কৰাই বুলি এক গুৰুতৰ অভিযোগ উত্থাপন হৈছে বিদ্যালয়ৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে। ৰাজ্যত কাঠফুলাৰ দৰে গঢ় লৈ উঠা একাংশ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ মইমতালি আৰু বিভিন্ন অনিয়ম সংঘটিত হৈ আহিছে যদিও বিদ্যালয়সমূহক নাকী লগাবলৈ কোনোধৰণৰ ব্যৱস্থা নাই শিক্ষা বিভাগৰ। যাৰফলত এনেধৰণৰ ঘটনা সংঘটিত হোৱাৰ পিচতো কোনো গুৰুত্ব প্ৰদান নকৰে বিদ্যালয়ৰ কৰ্তৃপক্ষই। এই ক্ষেত্ৰত নিজ মইমতালিৰে চলা এনেধৰণৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ক নাকী লগাবলৈ আহ্বান জনাইছে স্থানীয় দল সংগঠন তথা সচেতন ৰাইজে।

# মুকালমুৱাৰ নাৰুৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত স্বাস্থ্য সেৱা উৎসৱ

**ই-সংবাদ, মুকালমুৱা, ৪ ডিচেম্বৰঃ** অসম চৰকাৰৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ সহযোগত মঙলবাৰৰ পৰা ৰাজ্যজুৰি অনুষ্ঠিত হৈছে তৃতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱা উৎসৱ। নলবাৰী জিলাৰ মুকালমুৱা অসামৰিক চিকিৎসালয়ৰ অধীনস্থ নাৰুৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰতো অনুষ্ঠিত হৈছে তৃতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱা উৎসৱ। বৰক্ষেত্ৰীৰ নাৰুৱাস্থিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত স্বাস্থ্যসেৱা উপলক্ষে পুৱাৰে পৰা উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। নাৰুৱা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ ভাৰপ্ৰাপ্ত চিকিৎসক মনোৱাৰা বেগম খানৰ নেতৃত্বত স্বাস্থ্যসেৱা উপলক্ষে স্বাস্থ্যকেন্দ্ৰটো চালে চকুৰোৱা সদৃশ পৰিৱেশ কৰি তুলিছে। স্বাস্থ্যসেৱা উৎসৱ উপলক্ষে আজি পুৱাই স্বাস্থ্যকেন্দ্ৰটোত পৰ্যবেক্ষক হিচাপে উপস্থিত হয় জলসম্পদ বিভাগৰ নলবাৰীৰ কাৰ্যবাহী অভিযন্তা নিকুঞ্জ কুমাৰ শৰ্মা আৰু নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা তথা দন্ত চিকিৎসক ডাঃ অল্পনা তালুকদাৰ। পৰ্যবেক্ষক দুগৰাকীয়ে স্বাস্থ্যকেন্দ্ৰটোৰ চিকিৎসকৰ কোঠা, ফাৰ্মাচী, লেবৰেটৰীকে ধৰি স্বাস্থ্যকেন্দ্ৰৰ চৌপাশ পৰিদৰ্শন কৰে। পৰ্যবেক্ষক দুগৰাকীয়ে স্বাস্থ্যকেন্দ্ৰটোৰ পৰিৱেশ, স্বাস্থ্যকেন্দ্ৰৰ চিকিৎসক ডাঃ মনোৱাৰা বেগম খান, ডাঃ সাগৰিকা কাশ্যপ সমন্বিতে নাৰ্চ আৰু আশাকৰ্মীৰ মানৰ সেৱা দেখি অভিভূত হৈ পৰা বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। পৰ্যবেক্ষক দুগৰাকীয়ে স্বাস্থ্যকেন্দ্ৰটোলৈ অহা ৰোগীসকলৰ সৈতে মত বিনিময় কৰি চৰকাৰে স্বাস্থ্যকেন্দ্ৰটোলৈ পৰ্যাপ্ত পৰিমাণৰ দৰৱ-ঔষধ আদি সময়মতে যোগান ধৰি আহিছে বুলিও জানিবলৈ দিয়ে। জলসম্পদ বিভাগৰ নলবাৰীৰ কাৰ্যবাহী অভিযন্তা নিকুঞ্জ কুমাৰ শৰ্মাই কেন্দ্ৰটোৰ সামগ্ৰিক দিশটো সন্দৰ্ভত বুজ লৈ মুখ্যমন্ত্ৰীৰ নেতৃত্বত গ্ৰামাঞ্চলৰ স্বাস্থ্য কেন্দ্ৰলৈ আমূল পৰিৱৰ্তন আহিছে বুলি মন্তব্য কৰে। স্বাস্থ্যসেৱা উপলক্ষে স্বাস্থ্যসেৱা কেন্দ্ৰটোৰ চৌহদত পৰ্যবেক্ষক দুগৰাকীয়ে দুটিকৈ গছপুলিও ৰোপণ কৰে।



লক্ষ্য পঞ্চায়ত নিৰ্বাচন, কামৰূপৰ ৯মণ্ডল সভাপতিৰ সৈতে বৈঠকত ভবেশ কলিতা

**বহুদিন ধৰি বিলাসী বাহনত গৰু উঠাই উধাও হৈছিল চোৰ, আৰক্ষীৰ তদন্ত**

# নগাঁৱত ধৃত তিনি গভাইত গৰু চোৰ, ৰাইজে জব্দ কৰিলে বিলাসী বাহন

**ই-সংবাদ, বেবেজীয়া, ৪ ডিচেম্বৰঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাতো সক্ৰিয় হৈ আছে গৰু চুৰি চক্ৰ। আৰক্ষীৰ নিৰাপত্তা ব্যৱস্থাক ভেঙুচালি কৰি এই চক্ৰটোৱে নানা কৌশল অৱলম্বন কৰি জিলাখনৰ গ্ৰামাঞ্চলবোৰত দুষ্কাৰ্যৰ সংঘটিত কৰি আহিছে। ইয়াৰ মাজতে জিলাখনৰ পশ্চিম প্ৰান্তৰ জাজৰি আৰক্ষী থানাৰ এলেকাধীন মেৰাতলাত গৰু চুৰিক কেন্দ্ৰ কৰি এক উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। আচলতে, মঙলবাৰে নিশা গৰু চুৰি কৰাৰ উদ্দেশ্যে চাৰিটা গভাইত চোৰ মেৰাতললৈ এ এছ-১১ জে-৫১৮৫ নম্বৰৰ এখন বিলাসী বাহন লৈ আহিছিল। কিন্তু স্থানীয় ৰাইজে এই বিষয়ে জানিব পাৰি গৰু চুৰি কৰিবলৈ উদ্যত হওঁতেই বাহনসহ চোৰ চাৰিটাক ঘেৰাও কৰে। অৱশ্যে আন্ধাৰৰ সুযোগ লৈ এটা চোৰে পলায়ন কৰে যদিও বাকী তিনিটাক ৰাইজে আটক কৰিবলৈ সক্ষম। ধৃত গভাইত চোৰকেইটা হৈছে জুৰীয়াৰ ৰাজু আহমেদ, আজাদ আলী আৰু হাফিজ উদ্দিন। এনে অৱস্থাত এক উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয় আৰু ৰাইজে চুৰিকাৰ্যত ব্যৱহৃত বিলাসী বাহনখনৰ বহুখিনি ক্ষতিসাধন কৰে। পিছত ঘটনাৰ খবৰ পাই জাজৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হোৱাত পৰিস্থিতি শাম কাটে আৰু ৰাইজে কৰায়ত্ত কৰা চোৰকেইটাক আৰক্ষীৰ হাতত গতাই দিয়ে।

# কাঁহিবাৰী আৰক্ষীৰ জালত ড্ৰাগছসহ ড্ৰাগছ মাফিয়া

**ই-সংবাদ, সৃজনগ্ৰাম ৪ ডিচেম্বৰঃ** অসমক ড্ৰাগছমুক্ত কৰাৰ লক্ষ্য ৰাজ্য চৰকাৰৰ। ৰাজ্যৰ চুকে-কোণে ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে অসম আৰক্ষীয়ে। ড্ৰাগছ বিৰোধী অভিযানত সফলতাও লাভ কৰিছে আৰক্ষীয়ে। বঙাইগাঁও জিলাতো অব্যাহত আছে ড্ৰাগছৰ বিৰুদ্ধে অভিযান। জিলাখনৰ বিভিন্ন প্ৰান্তত আৰক্ষীয়ে অব্যাহত ৰাখিছে ড্ৰাগছৰ বিৰুদ্ধে অভিযান। ড্ৰাগছ বিৰোধী এই অভিযানতে বঙাইগাঁও জিলাৰ বৰঘোলা আৰক্ষী নিৰীক্ষণ চকীৰ অন্তৰ্গত কাঁহিবাৰী আৰক্ষীৰ জালত পৰিছে বৃহৎ পৰিমাণৰ ড্ৰাগছসহ ড্ৰাগছ মাফিয়া। ধৃত ড্ৰাগছ মাফিয়াটো গেৰুকাবাৰী থানাৰ অন্তৰ্গত গেৰুকাবাৰী গাঁৱৰ ছৰোৱাৰ আলম বুলি জানিব পৰা গৈছে। গোপন খবৰৰ ভিত্তিত চিআৰপিএফ জোৱান আৰু অভয়াপুৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পুলোক বৰ্মণৰ নেতৃত্বত মঙলবাৰে সন্ধিয়া এটি আৰক্ষীৰ দলে কাহিবাৰীত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাইছিল।

# উদীয়মান সমাজকৰ্মী কুলেন নাথৰ পথ দুৰ্ঘটনাত মৃত্যু

**ই-সংবাদ, ডিমাকুছি, ৪ ডিচেম্বৰঃ** ওদালগুৰি জিলাৰ বৃহত্তৰ ডিমাকুছি অঞ্চলৰ ৰজাগড়ৰ সৰবৰহী যুৱক, উদীয়মান সমাজ সংগঠক, এগৰাকী যুৱ ব্যৱসায়ী কুলেন নাথৰ এক আকস্মিক পথ দুৰ্ঘটনাত মৃত্যু হয়। ডিমাকুছিৰ ৰজাগড় নিবাসী স্বৰ্গীয় কৰুণা কান্ত নাথ আৰু দেৱ বালা নাথৰ পুত্ৰ কুলেন নাথৰ মৃত্যুৰ সময়ত বয়স আছিল ৪২ বছৰ। মঙলবাৰে সন্ধিয়া টংলাৰ পৰা মটৰ চাইকেলেৰে ডিমাকুছি অভিমুখে ঘৰলৈ আহি থকা সময়ত টংলা-ডিমাকুছি পথৰ চিকাৰীবাংলাত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাটোত থিতাতে মৃত্যু মুখত পৰে অমায়িক যুৱকজন। বৃহত্তৰ অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় দিয়াৰ উপৰি বিভিন্ন ক্ষেত্ৰত আগৰণুৱা কুলেন নাথ মৃত্যুৰ আগমুহূৰ্তলৈকে ওদালগুৰি জিলাৰ নাথ যোগী সন্মিলনী, শ্ৰীমন্ত শংকৰদেৱ সংঘ, নালাপাৰা যুৱক সংঘ, জাগৃতি যুৱক সংঘকে ধৰি বিভিন্ন অনুষ্ঠানৰ বিভিন্ন দায়িত্বত থকাৰ উপৰি নৈনে চেৰফাং পৰিষদীয় সমষ্টিৰ ব্লক বিপিএফ যুৱ মৰ্চাৰ প্ৰাক্তন সভাপতি, বৰ্তমান ভাৰতীয় জনতা পাৰ্টীৰ নৈনে চেৰফাং মণ্ডলৰ এগৰাকী নিষ্ঠাৱান সক্ৰিয় কাৰ্যকৰ্তা হিচাপে নিজৰ দায়িত্ব পালন কৰি আহিছিল। ডিমাকুছি, ৰজাগড়, নালাপাৰা, শুক্লাই, বৰংগাজুলি অঞ্চলৰ বিভিন্ন সামাজিক কাম-কাজত স'ততে নিজকে নিয়োজিত কৰি সমাজ সংস্কাৰৰ অগ্ৰণী সৈনিকৰ দায়িত্ব পালন কৰি অহা কুলেন নাথে মৃত্যুৰ সময়ত মাতৃ, পত্নী, পুত্ৰ, বাইদেউ, ভগ্নী, ভাগিন-ভতিজাৰ লগতে অসংখ্য গুণমুগ্ধক এৰি থৈ যায়। অগ্ৰণী সমাজ সংগঠক কুলেন নাথৰ আকস্মিক বিয়োগৰ বাতৰি বিয়পি পৰাৰ লগে-লগে অসংখ্য গুণমুগ্ধই তেওঁৰ বাসগৃহত ভিৰ কৰে।

# তালাপত অসম গেছ কোম্পানীৰ দ্বাৰা ঘৰুৱা ৰন্ধন গেছ যোগান প্ৰকল্পৰ উদ্বোধন



**ই-সংবাদ, ডুমডুমা, ৪ ডিচেম্বৰঃ** দুলীয়াজানস্থিত অসম গেছ কোম্পানীৰ উদ্যোগত মঙলবাৰে ঘৰে ঘৰে ৰন্ধন গেছ যোগান প্ৰকল্পৰ তিনিচুকীয়া জিলাৰ ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত তালাপতো উদ্বোধন কৰা হয়। আনুষ্ঠানিকভাৱে ইয়াৰ শুভ উদ্বোধন কৰে ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম গেছ কোম্পানী লিমিটেডৰ অধ্যক্ষ বলীন চেতিয়াই। উল্লেখ্য যে, ঘৰুৱা ব্যৱহাৰ্য ৰন্ধন গেছৰ নাটনি আৰু ইয়াৰ পৰা হ'বলগীয়া আকস্মিক দুৰ্ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি অসম গেছ কোম্পানীয়ে অতি কম দুৰ্ঘটনাৰ সম্ভাৱনা থকা ৰন্ধন গেছ ঘৰে ঘৰে যোগান ধৰাৰ এক প্ৰকল্প হাতত লৈছিল। প্ৰথম অৱস্থাত মুষ্টিমেয় কেইখনমান চহৰ এলেকাতহে এই প্ৰকল্পৰ দ্বাৰা ৰন্ধন গেছ যোগানৰ ব্যৱস্থা কৰিছিল যদিওঁ শদিয়াৰ বিধায়ক বলিন চেতিয়াই এই অসম গেছ কোম্পানীৰ অধ্যক্ষৰ দায়িত্ব লাভ কৰাৰ পাছত চহৰ অঞ্চলৰ পৰা ক্ৰমে গাওঁ অঞ্চলসমূহতো সম্প্ৰসাৰণ কাম হাতত ল'য় বুলিব পাৰি। যাৰ ফলস্বৰূপে আজি ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ তালাপ গাওঁ পঞ্চায়ত এলেকাৰ ককৰাতলি গাওঁস্থিত শান্তি দে'ৰ ঘৰত তালাপ অঞ্চলৰ প্ৰথমটো ৰন্ধন গেছ যোগান প্ৰকল্প আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে বিধায়ক তথা অসম গেছ কোম্পানীৰ অধ্যক্ষ বলিন চেতিয়াই। তালাপ ককৰাতলিত শুভ উদ্বোধন কৰা এই প্ৰকল্পৰ মুঠ ৬৩ টা ঘৰত গেছ পাইপ সংযোগ কৰাৰ বিপৰীতে ২২৫ টাকৈ ঘৰ তথা পৰিয়ালে সংযোগ স্থাপনৰ বাবে পঞ্জীয়ন কৰা বুলি জানিবলৈ দিয়াৰ লগতে অসম গেছ কোম্পানীৰ পূৰ্বৰ ৩০ হাজাৰ গ্ৰাহকৰ পৰা সম্প্ৰতি ৬০ হাজাৰলৈ ঘৰুৱা গ্ৰাহকৰ সংখ্যা বৃদ্ধি হোৱা বুলি অধ্যক্ষ বলিন চেতিয়াই জানিবলৈ দিয়ে। এই ৰন্ধন গেছ সংযোগৰ শুভ উদ্বোধনী অনুষ্ঠানত অধ্যক্ষ বলীন চেতিয়াৰ লগতে কোম্পানীৰ মুখ্য কাৰ্যনিৰ্বাহক বিপুঞ্জয় ফুকন, কাৰ্যনিৰ্বাহক অংশুমান ঠাকুৰ, ভূমি সহকাৰী কাৰ্যনিৰ্বাহক নিবেদিতা বসু'কে ধৰি তিনিচুকীয়া জিলা বিজেপিৰ ছৈখোৱা মণ্ডল সভাপতি সম্পাদক ক্ৰমে বিৰাজ সোণোৱাল আৰু ৰাজু দাস, সোণোৱাল-কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ প্ৰাক্তন কাৰ্যবাহী সদস্য বিপুল সোণোৱাল, ছৈখোৱা জিলা পৰিষদৰ প্ৰাক্তন সদস্য প্ৰকাশ বাৰবাৰ লগত বহুসংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

# গুগুল মীট যোগে 'সম্প্ৰীতি অসম'ৰ 'সম্প্ৰীতিৰ এনাজৰী' শীৰ্ষক বক্তৃতানুষ্ঠান

**ই-সংবাদ, ডিব্ৰুগড়, ৪ ডিচেম্বৰঃ** অসমৰ সামাজিক-সাংস্কৃতিক বিনিময় আৰু সম্ভাৱনা সংস্থা 'সম্প্ৰীতি অসমে' ভাৰতৰ বিভিন্ন ঠাইৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সম্প্ৰীতিৰ এনাজৰী সুদৃঢ় কৰাৰ মানসেৰে 'সম্প্ৰীতিৰ এনাজৰী' শীৰ্ষক এলানি বক্তৃতানুষ্ঠানৰ আয়োজন কৰিছে। এই উদ্দেশ্যেৰে যোৱা এক ডিচেম্বৰত 'সম্প্ৰীতিৰ এনাজৰীঃ অসম আৰু অৰুণাচল'- শীৰ্ষক প্ৰথমটি বক্তৃতা প্ৰদান কৰে অৰুণাচলৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক, সমাজকৰ্মী হুই টেগে। গুগল মীটযোগে অনুষ্ঠিত হোৱা সভাখনত আদৰণি ভাষণ প্ৰদান কৰে সম্প্ৰীতি অসমৰ সভাপতি ইন্দ্ৰ গগৈয়ে। সম্প্ৰীতি অসমৰ চমু পৰিচয় দাঙি ধৰে সম্পাদক ড০ কৰবী বৰুৱা গগৈয়ে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক প্ৰফেছাৰ এমেৰিটাছ ড০ ভীমকান্ত বৰুৱাই সভা উদ্বোধন কৰি কয় যে অসমীয়া ভাষা ব্ৰহ্মদেশৰ পৰা অৰুণাচল প্ৰদেশৰ চীন সীমান্তলৈকে প্ৰচলিত। লগতে তেওঁ অৰুণাচল প্ৰদেশৰ বিভিন্ন প্ৰান্তত প্ৰচলিত অসমীয়া ভাষাৰ প্ৰসাৰ সম্পৰ্কে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। সম্প্ৰীতি অসমৰ মুখ্য সম্পাদক ড০ মৌচুমী ৰেখা খাউণ্ডে আঁত ধৰা অনুষ্ঠানটোত মূল বক্তৃতা প্ৰদান কৰি প্ৰাধাপক হুই টেগে সুন্দৰকৈ অসম আৰু অৰুণাচলৰ সম্পৰ্কৰ ইতিহাস সম্বন্ধে বহু দিশৰ ওপৰত আলোকপাত কৰে। ভাষণত বক্তাগৰাকীয়ে কয় যে তেওঁ আজি অধ্যাপক হ'বলৈ পাইছে কেৱল অসমীয়া শিক্ষকৰ বাবেহে। অসম আৰু অৰুণাচল প্ৰদেশৰ সাংস্কৃতিক এনাজৰী ডাল কটকটীয়া কৰাৰ বিষয়েও টেগে ভাষণত উপস্থাপন কৰে। এই অনুষ্ঠানত সদৌ অসম লেখিকা সংস্থাৰ সভাপতি মামণি গগৈ বৰুৱা, আই কনকলতা মহিলা তীৰ্থৰ সম্পাদক ড০ অমিয়া পাটৰ, যোৰহাট জিলাৰ অৱসৰপ্ৰাপ্ত কলেজ শিক্ষক সংস্থাৰ কাৰ্যকৰী সভাপতি ড০ বলীন হাজৰিকা, সম্পাদক ড০ নীলিমা বৰুৱা, 'সম্প্ৰীতি অসম'ৰ উপদেষ্টা নীলিমা বৰুৱা, প্ৰাক্তন সম্পাদক দিগন্ত গগৈ, 'সম্প্ৰীতি অসম', যোৰহাট শাখাৰ সভাপতি অৰূপ কুমাৰ বৰঠাকুৰ, সম্পাদক ড০ কৰবী গগৈ, কেন্দ্ৰীয় সমিতিৰ সদস্য কাঞ্চন বৰুৱা, ধনীৰাম বৰুৱা, মঞ্জু গগৈ, নিৰু বৰুৱাকে প্ৰমুখ্য কৰি উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

## হাঁহখাটি বাগান গাঁৱত ডুমডুমা আঞ্চলিক সমিতিৰ প্ৰয়াস

# দৰিদ্ৰ পৰিয়ালৰ মাজত 'ৱাৰিয়ৰ্চ'ৰ গৰম কাপোৰ বিতৰণ

**ই-সংবাদ, ডুমডুমা, ৪ ডিচেম্বৰঃ** মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা তথা জ্যোতিৰ্ময় সমাজ, চমুকৈ "ৱাৰিয়ৰ্চ" ৰ ডুমডুমা আঞ্চলিক সমিতিয়ে আৰ্তজনক শীতৰ নিশাবোৰ অকণমান মৰমৰ উমেৰে আৱৰি ৰখাৰ প্ৰয়াসেৰে সোমবাৰে তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ পৰা প্ৰায় ৩৫ কি. মি. নিলগৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ হাহঁখাটি বাগান গাঁৱত উপস্থিত হৈ গাঁওখনৰ আৰ্থিকভাৱে দুৰ্বল ৩০ টা পৰিয়ালৰ মাজত একোখনকৈ নতুন কম্বল বিতৰণ কৰে। 'ৱাৰিয়ৰ্চ' ৰ ডুমডুমা আঞ্চলিক সমিতিৰ সদস্যা সকলৰ নিজা বৰঙণিৰে উক্ত কম্বলখিনি ক্ৰয় কৰাৰ উপৰিও শিশুৰ পৰা বৃদ্ধলৈ পুৰুষ আৰু মহিলা উভয়ে ব্যৱহাৰ কৰিব পৰা পুৰণি তথা ব্যৱহাৰৰ উপযোগী বহুখিনি কাপোৰ অন্যান্য প্ৰায় ৫০ টা পৰিয়ালৰ মাজত বিতৰণ কৰে 'ৱাৰিয়ৰ্চ' ৰ সদস্যাসকলে। তিনিচুকীয়া জিলাৰ এখনি অন্যতম জাকত জিলিকা শিক্ষানুষ্ঠান হাহঁখাটি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক তথা ২০২৩ বৰ্ষৰ ইণ্ডিয়ান এডুকেচন এৱাৰ্ডচ প্ৰাপ্ত টিকাৰাম চেত্ৰীয়ে উপযুক্ত ঠাইখন বাছনি কৰে আৰু নিজে উপস্থিত থাকি অনুষ্ঠানটো সাৰ্থক কৰি তোলে । অনুষ্ঠানটোৰ আৰম্ভণিতে কৃতী তথা বিশিষ্ট শিক্ষাবিদগৰাকীয়ে 'ৱাৰিয়ৰ্চ' ৰ এনে সমাজহিতকৰ কামৰ ভূয়সী প্ৰশংসা কৰি এক সাৱলীল বক্তব্য প্ৰদান কৰে। 'ৱাৰিয়ৰ্চ' ৰ ডুমডুমা আঞ্চলিকৰ উপদেষ্টা তথা বিশিষ্ট শিক্ষাবিদ-সমাজকৰ্মী অৰ্জুন বৰুৱাই 'ৱাৰিয়ৰ্চ'ৰ সমাজহিতৈষী কাম-কাজৰ আৰু সম্পাদিকা মিৰাণ্ডা




বৰুৱা ডেকাই বিগত বছৰটোত কৰা কৰ্মৰাজি চমুকৈ উল্লেখ কৰি বক্তব্য প্ৰদান কৰে। স্থানীয় সমাজকৰ্মী সুৰেশ উৰাঙে 'ৱাৰিয়ৰ্চ' ৰ এনে কাৰ্যসূচীৰ শলাগ লোৱাৰ লগতে ভৱিষ্যতে পুনৰ এনে ধৰণৰ সহায় আশা কৰি আৰু সজাগতা সভা পাতি পিচপৰা অঞ্চলটোৰ ৰাইজক উপকৃত কৰাৰ অনুৰোধ জনাই বক্তব্য প্ৰদান কৰে। কাৰ্যসূচীত 'ৱাৰিয়ৰ্চ' ৰ সদস্যাসকল ক্ৰমে প্ৰণীতা শৰ্মা, ৰুমি মেধি, মুস্কান বেগম আৰু মানসী বৰবৰা আদি উপস্থিত থাকে। 'ৱাৰিয়ৰ্চ' ৰ ডুমডুমা আঞ্চলিকৰ এনে পদক্ষেপক সকলোৱে প্ৰশংসা কৰিছে।

# অসম আবৃত্তি, সংস্কৃতি পৰিষদৰ 'আবৃত্তি মহোৎসৱ'ৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, দুলীয়াজান, ৪ ডিচেম্বৰঃ** গুৱাহাটীৰ শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰত অহা ৭ আৰু ৮ ডিচেম্বৰত দুদিনীয়াকৈ অনুষ্ঠিত হবলগীয়া অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ আবৃত্তি মহোৎসৱ আৰু প্ৰথম ৰাজ্যিক অভিবৰ্তনত অংশগ্ৰহণৰ উদ্দেশ্যে দুলীয়াজানতো ব্যাপক প্ৰস্তুতি চলিছে। অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ অন্তৰ্গত সমগ্ৰ অসমৰে ২৯খন জিলাক সামৰি অনুষ্ঠিত হ'বলগীয়া আবৃত্তি মহোৎসৱৰ আবৃত্তি প্ৰতিযোগিতাত প্ৰতিখন জিলাৰে (নিজস্ব শাখাসমূহক সামৰি গঠন কৰা) একোটিকৈ দলে অংশগ্ৰহণ কৰিব। সেই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া ডিব্ৰুগড় জিলাৰ আবৃত্তি দলটিয়েও ব্যাপক প্ৰস্তুতিৰে অনুশীলন আৰম্ভ কৰিছে। জিলাখনৰ আবৃত্তি দলটিয়ে দুলীয়াজানৰ পূব জালনী প্ৰাথমিক বিদ্যালয়ত পূৰ্ণ পৰ্যায়ত আখৰা অব্যাহত ৰাখিছে। পৰিষদৰ ডিব্ৰুগড় জিলাৰ সভাপতি ড০ চিত্ৰজিৎ শইকীয়া, সম্পাদক মৃদুল শৰ্মা, শিক্ষা কৰ্মশালাৰ উপ-সভাপতি মৃণালী ভূঞা বৰদলৈ, সহ-সম্পাদিকা আফৰুজা আখতাৰ, কোষাধ্যক্ষ বিবি বৰাৰ লগতে চাবুৱা শাখাৰ সভাপতি কল্যাণ বৰুৱা আৰু দুলীয়াজান শাখাৰ সভাপতি, উপ-সভাপতি, সম্পাদক আৰু কোষাধ্যক্ষ ক্ৰমে লখিমী চুতীয়া গগৈ, নিজুৰাভা গগৈ, নন্দিনী শৰ্মা, ছায়ামণি দত্তকে প্ৰমুখ্যে কৰি সকলো বিষয়ববীয়াই এই প্ৰস্তুতি পৰ্বত বিভিন্ন দিহা-পৰামৰ্শ আৰু সহায় সহযোগিতাৰে শিল্পীদলটিক উৎসাহিত কৰিছে। আনহাতে, ৮ ডিচেম্বৰত অনুষ্ঠিতব্য মুকলি সভাত দুলীয়াজানৰ এটি আবৃত্তি শিল্পীদলে এখনি 'আবৃত্তি আলেখ্য' পৰিৱেশন কৰিব। অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উপ-সভাপতি, বিশিষ্ট আবৃত্তিকাৰ, দুলীয়াজানৰ সংগীত নৃত্যমৰ অধ্যক্ষ ৰিজুমণি শইকীয়া তামুলীৰ দ্বাৰা ৰচিত আৰু পৰিচালিত আলেখ্যখনিত ডিব্ৰুগড় জিলাৰ একাধিক শাখাৰ প্ৰায় ২০ গৰাকী আবৃত্তিকাৰ, শিল্পীয়ে অংশগ্ৰহণ কৰিব।

# ৰূপনগৰ শ্ৰীমন্তপুৰ বিৰুবাৰী জ্যেষ্ঠ নাগৰিক সংস্থাৰ মাহেকীয়া সভা সম্পন্ন

**ই-সংবাদ, গুৱাহাটী, ৪ ডিচেম্বৰঃ** ৰূপনগৰ শ্ৰীমন্তপুৰ বিৰুবাৰী জ্যেষ্ঠ নাগৰিক সংস্থাৰ মাহেকীয়া সভাখন আজি বিয়লি ৩.৩০ বজাত সংস্থাৰ ভৱনত সংস্থাৰ সভাপতি দেৱেন্দ্ৰ নাথ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। সভাৰ আৰম্ভণিতে যোৱা ২১ নৱেম্বৰত মৃত্যুবৰণ কৰা সংস্থাৰ বয়োজ্যেষ্ঠ সদস্য সোমেশ্বৰ ডেকা, অলপতে অকাল মৃত্যু বৰণ কৰা ৰূপনগৰৰ বাসিন্দা জলি গগৈ মেধিৰ বিদেহ আত্মাৰ শান্তি আৰু সদগতি কামনাৰে মৌন প্ৰাৰ্থনা কৰি স্মৃতিচাৰণ কৰা হয়। সংস্থাৰ উপদেষ্টা ভূদেৱ গোস্বামী আৰু জ্যেষ্ঠ সদস্য বাবুল শৰ্মাই প্ৰয়াত সোমেশ্বৰ ডেকাৰ গুণানুকীৰ্তন কৰি চমু ভাষণ আগবঢ়ায়।আজিৰ মাহেকীয়া সভাত 'প্ৰকৃতি আৰু পৰিৱেশ' শীৰ্ষক এক আলোচনা অনুষ্ঠিত হয়। এই বিষয়টোৰ গুৰুত্ব আৰু সাম্প্ৰতিক সময়ত ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা আগবঢ়ায় সংস্থাৰ সভাপতি দেৱেন্দ্ৰ নাথ বসুমতাৰীয়ে। সংস্থাৰ উপদেষ্টা ফণী ডেকাই প্ৰকৃতি আৰু পৰিৱেশ সম্পৰ্কীয় সকলো দিশ অতি সহজ সৰলভাৱে ব্যাখ্যা কৰি উপস্থিত সদস্যসকলক আকৃষ্ট কৰাৰ লগতে প্ৰকৃতি সম্বন্ধে সৰ্বসাধাৰণে নজনা বহু কথা জনায়। এই বিষয়ত নিজৰ দৃষ্টিকোণ আৰু অভিজ্ঞতাৰ আলমত ভাষণ দিয়ে ক্ৰমে বীণা বৰ্মন, গুল পাঠক, প্ৰভাত চন্দ্ৰ ডেকা, উমেশ চন্দ্ৰ শৰ্মা, বাবুল চন্দ্ৰ শৰ্মা আৰু বদন চন্দ্ৰ ভূঞাই। আজিৰ সভাখনৰ আঁত ধৰে সম্পাদক কন্দৰ্প কুমাৰ নাথে।

# বাঘমাৰা চৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ নৱাগত আদৰণি তথা বিদ্যালয় সপ্তাহৰ সামৰণি

**ই-সংবাদ, শিমলীতোলা, ৪ ডিচেম্বৰঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বাঘমাৰা চৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ১, ২, ৩ আৰু ৪ ডিচেম্বৰত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে আৰম্ভ হোৱা সপ্তম বিংশতিতম্ নৱাগত আদৰণি সভা আৰু বিদ্যালয় সপ্তাহৰ আজি সামৰণি পৰে। প্ৰথম দিনাৰ প্ৰথম কাৰ্যসূচী পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰি সমাজ সেৱা, নৱাগত আদৰণি সভা, গজল, কোৰাণ পাঠ, আকস্মিক বক্তৃতা, তৰ্ক, সাধাৰণ খেল-ধেমালি, ভেশচন, সাংস্কৃতিক অনুষ্ঠান ইত্যাদি বিভিন্ন প্ৰতিযোগিতামূলক অনুষ্ঠানৰ আয়োজন কৰে। আবেলি ১ বজাত বাঘমাৰা চৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ তাইজুদ্দিন সৰকাৰৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা মুকলি সভা আৰু বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বাঘবৰ বিধানসভা সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদ। সভাৰ আৰম্ভণিতে বাঘমাৰা চৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল ছাত্ৰ একতা সভাৰ তৰফৰ পৰা বিভিন্ন দাবী সম্বলিত এখন স্মাৰক পত্ৰ প্ৰদান কৰে বিধায়ক শ্বেৰমান আলী আহমেদক। স্কুল পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি তৈয়ব আলী শ্বেখৰ উদ্বোধনী ভাষণেৰে আৰম্ভ কৰা সভাত উপস্থিত থাকে বাঘমাৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী আকলিমা খাতুন, যুব ব্যৱসায়ী আজমল হক ফকিৰ, অৱসৰপ্ৰাপ্ত শিক্ষক আলহাজ জাফৰ আলী আহমেদ, প্ৰবক্তা জমশ্বেৰ আলী আহমেদৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকি শৈক্ষিক দিশত গাম্ভীৰ্যপূৰ্ণ ভাষণ প্ৰদান কৰে। সভাৰ শেষত বিধায়ক শ্বেৰমান আলী আহমেদে যোৱা বছৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনায়। ভাষণত প্ৰসংগত বিধায়ক শ্বেৰমান আলী আহমেদ কয় যে চৰ অঞ্চলৰ শিক্ষা ব্যৱস্থা আৰু অধিক উন্নত কৰিবলৈ হ'লে ইংৰাজী মাধ্যমকো গুৰুত্ব দিব লাগিব।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।


# সিপৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৫৩ সংখ্যক বাৰ্ষিক অধিৱেশন সম্পন্ন

**ই-সংবাদ, চতিয়া, ৪ ডিচেম্বৰঃ** চতিয়াৰ দক্ষিণাঞ্চলৰ অন্যতম শিক্ষানুষ্ঠান সিপৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৫৩ সংখ্যক বাৰ্ষিক অধিৱেশন আৰু বঁটা বিতৰণী সভাখন আজি অনুষ্ঠিত হৈ যায়। পুৱা ৯ বজাত বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'গৌৰৱ' উন্মোচন কৰে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰসন্ন বৰাই। পত্ৰিকাখন তত্বাৱধান কৰে শিক্ষয়িত্ৰী গীতিকা বৰা আৰু সুস্মিতা দেৱীয়ে। পুৱা দহ বজাৰ পৰা বিদ্যালয়ৰ বাৰ্ষিক অধিৱেশন আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি মতি কুমাৰ নেৱাৰে। সমবেত সংগীতৰে আৰম্ভণি হোৱা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰামপ্ৰসাদ উপাধ্যায়ে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ন-দুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই শিক্ষাৰ্থীসকলক উদ্দেশ্যি কয় যে শিক্ষাৰ ঘাই শিপা ডাল যিমান তিতা, তাৰ ফল সিমানেই মিঠা। এই সময় তোমালোকৰ অধ্যয়নৰ সময়। গতিকে সময়ৰ সদ ব্যৱহাৰ কৰি নিজক প্ৰতিষ্ঠিত কৰা। তোমালোকৰ ওপৰতেই দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে। লগতে তেওঁ বিদ্যালয়খনৰ খেল পথাৰৰ চাৰিবেৰৰ বাবে দহলাখ টকাৰ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে। আনহাতে, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি চতিয়া জ্ঞান বিকাশ একাডেমীৰ সহকাৰী প্ৰধান শিক্ষক ড০ পৰাগ জ্যোতি হাজৰিকাই কয় যে শিক্ষা ব্যৱস্থা এক ত্ৰিভুজৰ দৰে। শিক্ষক ছাত্ৰ আৰু অভিভাৱকৰ সহযোগত ই পূৰ্ণতা লাভ কৰে। লগতে তেওঁ কালিদাস কেনেকৈ পণ্ডিত হ'ল সেয়া সাধুৰ মাধ্যমৰে ছাত্ৰ-ছাত্ৰীক অৱগত কৰে। সভাত বিশিষ্ট অতিথি হিচাপে ভাষণ প্ৰদান কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দলমোহন ছেত্ৰীয়ে। এই সভা ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে উজ্জীৱিত কৰি তোলে। বিদ্যালয়ৰ শিক্ষয়িত্ৰী ডিম্পী শৰ্মাৰ গীতে সকলোকে মুগ্ধ কৰে। অনুষ্ঠানত বিভিন্ন শিতানত পাৰদৰ্শিতা দেখুৱা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানৰ আগভাগ লয় জয় ছেত্ৰী আৰু পংকজ প্ৰতীম বৰাই। সভাখনিৰ আঁত ধৰে বিদ্যালয়ৰ শিক্ষক হেমাংগ হাজৰিকাই। আনহাতে, ২০২৪ বৰ্ষত পাৰদৰ্শিতাৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ আগভাগ লয় জয় ছেত্ৰী, ধ্ৰুৱ বৰা, লোকনাথ লুইটেল, মানসী হাজৰিকা, ৰঞ্জু ওজা আৰু কেশৱ ছেত্ৰীয়ে। সভাত জামাল উদ্দিন শ্বেখ, দ্ৰোণ ঢাকাল, চূড়ামনি শৰ্মা আৰু ৰাধেশ্যাম চাপকটাই ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত চতিয়া পৌৰপতি দিপশিখা সন্দিকৈ, ৩ নং চতিয়া পঞ্চায়তৰ প্ৰাক্তন সভাপতি উদয় শংকৰ শইকীয়া, কাজিৰুল হক, মইনুল হক চৌধুৰীকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# স্বাস্থ্য সেৱা উৎসৱ ৩ৰ অংশস্বৰূপে খাগুাখাইটি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ

**ই-সংবাদ, লাহৰীঘাট, ৪ ডিচেম্বৰঃ** ৰাজ্য চৰকাৰৰ উদ্যোগত আয়োজিত ‘স্বাস্থ্য সেৱা উৎসৱ-৩’ৰ অংশস্বৰূপে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি মৰিগাঁও জিলাৰ খাগুাখাইতি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ(PHC) পৰিদৰ্শন কৰে। এই পৰিদৰ্শনত জিলা আয়ুক্তগৰাকীয়ে স্বাস্থ্য কেন্দ্ৰত উপলব্ধ সেৱাসমূহৰ গুণগত মানৰ বিষয়ে পৰ্যালোচনা কৰি স্বাস্থ্য সেৱা অধিক সুদৃঢ় কৰাৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰে। লগতে উপস্থিত ৰোগীসকলৰ সৈতে তেওঁ আলোচনা কৰি স্বাস্থ্য সেৱাৰ সুযোগ-সুবিধাসমূহৰ বিষয়ে মতামত গ্ৰহণ কৰে। উল্লেখ্য যে স্বাস্থ্য সেৱা উৎসৱৰ অন্তৰ্গত এই কাৰ্যসূচী দুৰ্গম অঞ্চলসমূহৰ ৰোগীসকললৈ সুৰক্ষিত আৰু মানসম্পন্ন স্বাস্থ্য সেৱা সুনিশ্চিত কৰিবলৈ আয়োজন কৰা হৈছে। পৰিদৰ্শনৰ সময়ছোৱাত স্বাস্থ্য বিষয়া, স্থানীয় চৰকাৰী প্ৰতিনিধি আৰু চিকিৎসা কৰ্মীসকল উপস্থিত থাকে। স্বাস্থ্য সেৱা উৎসৱৰ এই পৰিসৰ জনসাধাৰণৰ স্বাস্থ্যৰ প্ৰতি সজাগতা বৃদ্ধি কৰি স্বাস্থ্যকেন্দ্ৰসমূহৰ কৰ্মচৰ্যা অধিক প্ৰাসংগিক কৰি তুলিবলৈ সহায় হ'ব বুলি আয়ুক্তগৰাকীয়ে আশা প্ৰকাশ কৰে।

## চানডুবিৰ বিষ্ণুৰাভা যুৱ সংঘৰ সোণালী জয়ন্তীৰ শীৰ্ষ সংগীত মুকলি

**ই-সংবাদ, মিৰ্জা, ৪ ডিচেম্বৰঃ** ৰাজ্যৰ ঐতিহাসিক অন্যতম পৰ্যটন ক্ষেত্ৰ চানডুবি বিলখনৰ পাৰৰ ৰাজাপাৰা গাঁৱৰ যুৱ শক্তিৰ প্ৰতীক স্বৰূপ ৰাজাপাৰা বিষ্ণুৰাভা যুৱ সংঘ। এই ঐতিহাসিক যুৱ সংঘই সময়ৰ ডেউকা কোবাই সোণালী জয়ন্তীবৰ্ষত ভৰি দিছে। সেয়ে ২০২৫ বৰ্ষৰ ২২ আৰু ২৩ ফেব্ৰুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সোণালী জয়ন্তীবৰ্ষ উদযাপনৰ দিহা কৰিছে। তেনেক্ষেত্ৰত উক্ত সোণালী জয়ন্তীৰ শীৰ্ষ সংগীত এটি যোৱা ৩ ডিচেম্বৰত আনুষ্ঠানিকভাৱে মুকলি কৰে যুৱ সংগঠনটোৱে। এক মাংগলিক অনুষ্ঠানৰ জৰিয়তে ডাঃ গুণমণি ৰাভাৰ কথা আৰু সুৰেৰে সজাই তোলা সুমধুৰ শীৰ্ষ সংগীতটো মুকলি কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সমুদ্ৰ চন্দ্ৰ ৰাভাই। উক্ত অনুষ্ঠানটিত সোণালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি ৰাতুল চন্দ্ৰ ৰাভা, সম্পাদক প্ৰাঞ্জল ৰাভাৰ লগতে যুৱ সংঘৰ সভাপতি মহেশ্বৰ ৰাভা, সম্পাদক সন্তৰাম ৰাভাৰ উপৰি সমাজকৰ্মী শুক্লেশ্বৰ ৰাভা তথা গাঁও প্ৰধান নীলাম্বৰ ৰাভাকে ধৰি সংঘৰ সদস্য-সদস্যাসকল উপস্থিত থাকে।



লোকসভাৰ অধ্যক্ষক সাক্ষাত কৰিলে অসমৰ মুখ্যমন্ত্ৰীয়ে, ফটো বুধবাৰৰ

## তামুলপুৰত প্ৰাক-বৰদিন উৎসৱ উদযাপন

**ই-সংবাদ, তামুলপুৰ, ৪ ডিচেম্বৰঃ** বৰদিনলৈ মাজত মাত্ৰ কেইটামান দিন বাকি থকাৰ সময়তে তামুলপুৰ জিলাৰ খ্ৰীষ্টিয়ান সমন্বয়ৰ সমিতিৰ সৌজন্যত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে তামুলপুৰৰ মটঙা চ'কত প্ৰাক্ বৰদিন উৎসৱ উদযাপন কৰা হয়। পুৱাৰে পৰা অনুষ্ঠিত হোৱা প্ৰাক্ বৰদিন উৎসৱত উপাসনা পৰিচালনা কৰে তামুলপুৰ জিলা খ্ৰীষ্টিয়ান সমন্বয় সমিতিৰ সভাপতি কবিন চন্দ্ৰ বড়োৱে। ইয়াৰ পিছতে প্ৰভু যীচুৰ ওচৰত প্ৰাৰ্থনা, বাইবেল পাঠৰ লগতে অসমীয়া, বড়ো, চানতালী নৃত্য প্ৰদৰ্শন কৰা হয়। দুপৰীয়া বাইবেলৰ ২:১০-১১ অধ্যায়ৰ ‘ভয় নকৰিবা...’ মূল বিষয় হিচাপে লৈ বক্তব্য ৰাখে হৰিশিঙা খ্ৰীষ্টিয়ান সমন্বয় সমিতিৰ প্ৰাক্তন কাৰ্যবাহী সম্পাদক ৰেভাৰেণ্ড সন্তোষ দৈমাৰীয়ে। আবেলি আশীৰ্বাদ প্ৰাৰ্থনাৰে প্ৰাক্ বৰদিনৰ উৎসৱৰ সামৰণি পৰে। আজিৰ এই প্ৰাক্ বৰদিনৰ অনুষ্ঠানত দৰংগাজুলি পৰিষদীয় সমষ্টি এম চি এল এ বিজিৎ গৌৰা নাৰ্জাৰী, তামুলপুৰ জিলা খ্ৰীষ্টিয়ান সমন্বয় সমিতিৰ সাধাৰণ সম্পাদক বনিফেছ বেছৰাৰ লগতে তামুলপুৰ জিলাৰ অন্তৰ্গত গীৰ্জাসমূহৰ সভাপতি-সম্পাদকৰ লগতে সদস্যসকল উপস্থিত থাকে।

## চৰাইদেউত সংখ্যালঘু উন্নয়ন পৰিষদৰ ই-ৰিক্সা বিতৰণ

**ই-সংবাদ, সোণাৰি, ৪ ডিচেম্বৰঃ** সংখ্যালঘু উন্নয়ন বৰ্ডৰ অৰ্থ সাহায্যৰে আজি চৰাইদেউ জিলাৰ সংখ্যালঘু লোকৰ মাজত ই-ৰিক্সা বিতৰণ কৰা হয়। ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে অনুমোদিত অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ পুঁজিৰ অধীনত চৰাইদেউ জিলাৰ ৭ জন হিতাধিকাৰীৰ মাজত ই-ৰিক্সা বিতৰণ কৰা হয়। এই উদ্দেশ্যে আজি জিলা উপায়ুক্ত কাৰ্যালয়ৰ চৌহদত আয়োজিত বিতৰণ কাৰ্যসূচীত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন আৰু সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে জিলা আয়ুক্ত ডাঃ নেহা যাদৱৰ উপস্থিতিত আনুষ্ঠানিকভাৱে বিতৰণ কৰে ই-ৰিক্সাসমূহ। ৰাজ্যৰ অন্যান্য লোকসকলৰ লগতে সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলেও যাতে স্বাৱলম্বনৰ জৰিয়তে নিজৰ অৰ্থনৈতিক বিকাশ ঘটাব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই চৰকাৰে সংখ্যালঘু লোকসকলৰ মাজত ই-ৰিক্সা,চিলাই মেচিনকে ধৰি বিভিন্ন সামগ্ৰী বিতৰণ কৰাৰ উপৰি বিভিন্ন আঁচনি গ্ৰহণ কৰা বুলি কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্তব্য কৰে মন্ত্ৰী যোগেন মহন আৰু ধৰ্মেশ্বৰ কোঁৱৰে। আজিৰ কাৰ্যসূচীত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দীপক ভূঞা, মাহমৰাৰ সমজিলা আয়ুক্ত পলাশ ৰাজকুমাৰ আহোম, অতিৰিক্ত জিলা উপায়ুক্ত(উন্নয়ন) নৱদীপ চাংমাই, অতিৰিক্ত জিলা উপায়ুক্ত সোণতৃষ্ণ ঘৰফলীয়া, অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ সদস্য জুনাইদ আহমেদ, সহকাৰী আয়ুক্ত আৰু মহকুমা কল্যাণ বিষয়া ৰিনি হাজৰিকা, অদিতি নেওগ, এপিজিচিএলৰ পৰিচালক অনুপ সিং ৰাজ পুৰোহিত, সোণাৰি আৰু মৰাণ পৌৰসভাৰ পৌৰপতি তিলক চন্দ্ৰ নেওগ আৰু অৰূপ দত্ত, জিলা বিজেপিৰ সভাপতি লক্ষ্মীনাথ তাছা, পৌৰ আয়ুক্ত ৰাজিদা বেগমৰ লগতে বহু কেইগৰাকী অতিথি তথা হিতাধিকাৰীসকল উপস্থিত থাকে।

## বিলাসীপাৰাত স্বাস্থ্য সেৱা উৎসৱ-৩ পালন

**ই-সংবাদ, বিলাসীপাৰা, ৪ ডিচেম্বৰঃ** সমগ্ৰ অসমৰ লগতে বিলাসীপাৰা মডেল হাস্পতালতো স্বাস্থ্য সেৱা উৎসৱ-৩ পালন কৰা হয়। ধুবুৰী মেডিকেল কলেজৰ চিকিৎসক ডাঃ মিঠু বৰ্মনৰ সহযোগত বিলাসীপাৰা পূব সমষ্টিৰ বিধায়ক ছামছুল হুদাই হাস্পতালখনৰ স্বাস্থ্য সেৱা উৎসৱ-৩ৰ শুভ উদ্বোধন কৰে। বিলাসীপাৰা মডেল হাস্পতালখনত পৰ্যাপ্ত নাৰ্ছ নাই, নাৰ্ছৰ কোঠালি নাই, অ'পিডি কাউণ্টাৰত নাই পৰ্যাপ্ত কৰ্মচাৰী। লেবৰটৰীৰ সমস্যাও আছে হাস্পতালখনত। আনকি হাস্পতালখনে CHC হিচাপে স্বীকৃতি পোৱা নাই বুলি জানিব পৰা গৈছে। উক্ত সমস্যাসমূহ সমাধান কৰি ৰাইজক উপকৃত কৰিবলৈ অসম চৰকাৰৰ স্বাস্থ্য বিভাগক আহ্বান জনাইছে বিলাসীপাৰা পূব সমষ্টিৰ বিধায়ক ছামছুল হুদা আৰু হাস্পতালখনৰ ইনচাৰ্জ নাছিৰ জামানে।

# কেইৰ্ন আৰু ফিজীহাৰ উদ্যোগত অনলাইন মনোজ্ঞ আলোচনাচক্ৰ সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ৪ ডিচেম্বৰঃ** কেইৰ্ন আৰু আৰু ফিজীহা (Forum for Indian Journalists, Environment, Health & Agriculture)ৰ উদ্যোগত অসম দিৱসৰ লগত সংগতি ৰাখি এখনি মনোজ্ঞ আলোচনাচক্ৰ অনুষ্ঠিত কৰা হয়। 'সংস্কাৰ অসমৰ সত্ৰ পৰম্পৰা আৰু বিৱৰ্তন' শীৰ্ষক বিষয়ত অনলাইন যোগে অনুষ্ঠিত হোৱা এই আলোচনাচক্ৰত ৰাজ্যৰ কেইবাগৰাকী গৱেষক, বিশেষজ্ঞই ভাগ লৈ অসমৰ আৰ্থ সামাজিক অৱস্থাৰ উত্তৰণৰ বাবে নতুন প্ৰজন্মই আধ্যাত্মিক আৰু সাংস্কৃতিক দিশসমূহ হৃদয়ংগম কৰি অঞ্চলৰ প্ৰাকৃতিক আৱদানসমূহৰ সদ্ব্যৱহাৰ কৰি কৰ্মৰে স্বাৱলম্বী হ'লে প্ৰগতিৰ পথত অগ্ৰসৰ হ'ব বুলি মত ব্যক্ত কৰে। আলোচনাচক্ৰখনিত অংশগ্ৰহণ কৰা ইতিহাসবিদ, শিল্পী, সাহিত্যিক, সাংবাদিক, ছাত্ৰ-ছাত্ৰীসকলে অসমৰ সত্ৰসমূহৰ চহকী ঐতিহ্য আৰু সাংস্কৃতিৰ অৰ্থ সামাজিক বিৱৰ্তনৰ বিষয়ে আলোকপাত কৰে। তদুপৰি অসমৰ আধ্যাত্মিক আৰু সাংস্কৃতিক দিশত মূল ভূমিকা পালন কৰা, শ্ৰীমন্ত শংকৰদেৱে প্ৰতিষ্ঠা কৰা সত্ৰসমূহৰ তাৎপৰ্যক কেন্দ্ৰ কৰি আলোচনা কৰা হয়। জ্যেষ্ঠ সাংবাদিক দিব্যজ্যোতি বৰুৱাই আঁত ধৰি অধিৱেশনত অসমৰ আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত সাংস্কৃতিক সংৰক্ষণৰ ভূমিকাক গুৰুত্ব প্ৰদান কৰাৰ লগতে সত্ৰসমূহ কেৱল আধ্যাত্মিক কেন্দ্ৰ নহয়, শিল্প, সংগীত, সমাজ সংস্কাৰ, সমাজ সেৱাৰ কেন্দ্ৰও আৰু সত্ৰ গৌৰৱৰ প্ৰতীক আৰু ভৱিষ্যতৰ বাবে পথ প্ৰদৰ্শনক বুলি মন্তব্য কৰে। কেইৰ্ন(অইল এণ্ড গেছ)ৰ নৰ্থ-ইষ্টৰ সঞ্চালক অৰুণাভ পৰাশৰে ঐতিহ্য সংৰক্ষণৰ সৈতে অগ্ৰগতিৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। তেওঁ অসমৰ সাংস্কৃতিক পটভূমি বিশেষকৈ সত্ৰসমূহক ৰাজ্যৰ পৰিচয়ৰ স্তম্ভ হিচাপে কেইৰ্নৰ দায়বদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে অসমৰ আত্মনিৰ্ভৰশীলতা আৰু উন্নয়নৰ দিশত কৰা যাত্ৰাক সন্তোষজনক বুলি মত প্ৰকাশ কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৰা সত্ৰৰ উৎপত্তিৰ সন্ধান কৰি, অসমীয়া ধৰ্মীয় আৰু সাংস্কৃতিক জীৱনৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰলৈ সত্ৰৰ বিৱৰ্তনৰ ওপৰত আলোকপাত কৰি বটদ্ৰৱা শ্ৰী শ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড০ বীনা কলিতাই প্ৰজন্মৰ পৰা প্ৰজন্মৰ মাজেৰে প্ৰচলিত হৈ থকা অসমৰ সামাজিক আৰু সাংস্কৃতিক দিশত সত্ৰৰ প্ৰভাৱৰ ওপৰত গুৰুত্ব আৰোপ কৰে। পাণ্ডুলিপি বিশেষজ্ঞ মৃদু মৌচম বৰাই সত্ৰসমূহৰ ঐতিহ্য সংৰক্ষণৰ বাবে শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ সৈতে সহযোগিতাৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰি চহকী ইতিহাস আৰু শিক্ষাক সুৰক্ষিত কৰাৰ বাবে নৱপ্ৰজন্মক আহ্বান জনায়। সত্ৰীয়া নৃত্যৰ বিৱৰ্তনৰ ওপৰত আলোকপাত কৰি জনপ্ৰিয় সত্ৰীয়া নৃত্যশিল্পী তথা গৱেষক ড০ অন্বেষা মহন্তই অসমৰ সাংস্কৃতিক পৰিচয় অটুট ৰাখিবলৈ ইয়াৰ ধ্ৰুপদী মৰ্যাদা আৰু আধুনিকীকৰণৰ মাজত ইয়াৰ পৰম্পৰাগত সত্তাক সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। ঠিক সেইদৰে ডিজিটেল মাধ্যম, গল্প কোৱা, কৰ্মশালা আৰু সাংস্কৃতিক উৎসৱৰ জৰিয়তে যুৱক-যুৱতীসকলক তেওঁলোকৰ ঐতিহ্যৰ সৈতে সংযোগ কৰাৰ বিষয়ে আলোচনা কৰে ৰয়েল গ্ল'বেল ইউনিভাৰ্চিটীৰ পৰা অহা ড০ সাস্বতী বৰদলৈ আৰু টিংকু মণি দাসে।

# ৭ ডিচেম্বৰত কুৰুৱাত শনি মন্দিৰৰ বাৰ্ষিক পূজা

**ই-সংবাদ, দুমুনিচকী, ৪ ডিচেম্বৰঃ** দৰং জিলাৰ দক্ষিণ পশ্চিম কোণৰ কুৰুৱাত প্ৰতিষ্ঠিত একমাত্ৰ শ্ৰীশ্ৰী শনি মন্দিৰৰ দশম বাৰ্ষিক পূজা অহা ৭ ডিচেম্বৰত দিনজোৰা আধ্যাত্মিক কাৰ্যসূচীৰে আয়োজন কৰিছে শনি পূজাৰ উদ্যোক্তাসকলে। শনি মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক কুশল দাসে জনোৱা অনুসৰি দশম বাৰ্ষিক এইবাৰৰ শনি পূজাৰ মূল আকৰ্ষণ সন্ধিয়া অসমৰ জনপ্ৰিয় নাগাৰা নামৰ পাঠিকা কৰিশ্মা নাথ আৰু নিশা মনি হালৈৰ নাম প্ৰদৰ্শন। লগতে দিনৰ ১১ বজাত ভাগৱত পাঠ অনুষ্ঠানৰ পাঠক হিচাপে আমন্ত্ৰণ জনাইছে উত্তৰ গুৱাহাটীৰ পাঠক সুমন দাসক। সন্ধিয়া ৫ বজাত শনি বাবাৰ প্ৰতিমা স্থাপন আৰু ৰাজহুৱা হোম, পূজাপৰ্ব। দিনজোৰাকৈ আয়োজন কৰা আধ্যাত্মিক কাৰ্যসূচীতসমূহত আঞ্চলিক ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি তথা সহায়-সহযোগিতা কামনা কৰিছে পূজা উদযাপন সমিতিৰ সভাপতি প্ৰদীপ দাস, সম্পাদক সীমান্ত দাসে।

# ডিব্ৰুগড়ত স্বাস্থ্য সেৱা উৎসৱ-৩ ৰ দ্বিতীয় দিন

**ই-সংবাদ, ডিব্ৰুগড়, ৪ ডিচেম্বৰঃ** সমগ্ৰ অসমৰ লগতে ডিব্ৰুগড় জিলাতো ৩ ডিচেম্বৰৰ পৰা আৰম্ভ হৈছে স্বাস্থ্য সেৱা উৎসৱ-৩। আজি দ্বিতীয় দিনা এই উৎসৱৰ লগত সংগতি ৰাখি ২৬ খন চিকিৎসালয়ৰ ২৬ টা বহিঃ মূল্যায়নকাৰী দলে মূল্যায়ন কৰে। আনহাতে, ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্ৰেৰণ কৰা মীন বিভাগৰ অতিৰিক্ত সচিব মৃণাল কান্তি দেবনাথে ধমনশালমাৰী আৰু দিচাং ৰংছোৱাল ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ পৰিদৰ্শন কৰে। চাহ জনজাতি কল্যাণ বিভাগৰ সচিব অজিত নাৰায়ণ হাজৰিকাই ঘোৰাঘাছ নতুন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু খোৱাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰে। একেদৰে ডিব্ৰুগড় জিলাৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী আৰু অতিৰিক্ত জিলা আয়ুক্ত সংঘমিত্ৰা বৰুৱাই হেজলবেংক আৰু গ্ৰীনউড চাহ বাগিচা চিকিৎসালয় পৰিদৰ্শন কৰে। একেদৰে, ডিব্ৰুগড় জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষে নাহৰনি সামূহিক স্বাস্থ্য কেন্দ্ৰ আৰু জয়পুৰ ৰাজ্যিক চিকিৎসালয়ৰ বুজ লয়। আনফালে, ডিব্ৰুগড় জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পদ্ম কুমাৰ পেগুয়ে বৰবৰুৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ডিব্ৰুমুখ ৰাজ্যিক চিকিৎসালয় পৰিদৰ্শন কৰে। উল্লেখ্য যে, অসম চৰকাৰৰ স্বাস্থ্য বিভাগে, ২০২৩ বৰ্ষৰ পৰা স্বাস্থ্য খণ্ডত ৰূপায়ণ কৰা এই স্বাস্থ্য সেৱা উৎসৱ দেশৰ ভিতৰতে অনন্য। উল্লেখ্য যে, স্বাস্থ্য সেৱা উৎসৱৰ জৰিয়তে কৰা এই মূল্যায়নৰ উদ্দেশ্য হৈছে ৰাজ্যৰ স্বাস্থ্য সেৱা খণ্ডৰ ব্যৱধানসমূহ চিনাক্ত কৰি স্বাস্থ্য সেৱাক ফলপ্ৰসূ আৰু কাৰ্যক্ষম কৰি ৰাষ্ট্ৰীয় জন স্বাস্থ্য মান(আই পি এইচ এছ ২০২২) লৈ উন্নীত কৰা। প্ৰণিধানযোগ্য যে অসমৰ মুখ্যমন্ত্ৰী তথা স্বাস্থ্য মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ



নিৰ্দেশনাত বিগত বৰ্ষৰ ৬ এপ্ৰিলৰ পৰা ৮ এপ্ৰিললৈ স্বাস্থ্য সেৱা উৎসৱ-১ সফলতাৰে সম্পন্ন কৰা হৈছিল য'ত ডিব্ৰুগড় জিলাৰ ৮ খন চিকিৎসালয়ে 'এ' গ্ৰেড লাভ কৰি জিলাখনৰ স্বাস্থ্য বিভাগলৈ গৌৰৱ কঢ়িয়াই আনিছিল। বিগত বৰ্ষতে ২১ নৱেম্বৰৰ পৰা ২৩ নৱেম্বৰলৈ অনুষ্ঠিত স্বাস্থ্য সেৱা উৎসৱ-২ ত ডিব্ৰুগড় জিলাৰ ১৯ খন চিকিৎসালয়ে 'এ' গ্ৰেড লাভ কৰিছিল। এই বৰ্ষৰ স্বাস্থ্য সেৱা উৎসৱত ডিব্ৰুগড় জিলাৰ মুঠ ৭৮ খন স্বাস্থ্য প্ৰতিষ্ঠানক সামৰি লোৱা হৈছে।

## আচনি ৰূপায়ণৰ নিৰ্দেশ
# ওদালগুৰিত মন্ত্ৰী ৰঞ্জিত দাসৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ

**ই-সংবাদ, ওদালগুৰি, ৪ ডিচেম্বৰঃ** অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি ওদালগুৰিৰ জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সভাকক্ষত জিলা প্ৰশাসনৰ সৈতে এক গুৰুত্বপূৰ্ণ পৰ্য্যালোচনা সভাত অংশগ্ৰহণ কৰে। তেওঁ এই সভাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিভিন্ন কাম সমূহ তদাৰক কৰি বিভাগীয় বিষয়া সকলক আচনিসমূহ ১০০ শতাংশ ৰূপায়ণৰ বাবে নিৰ্দেশনা দিয়ে। মন্ত্ৰী দাসে ওদালগুৰি জিলাত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ নিৰ্মাণৰ কাম ৯০ শতাংশ সম্পূৰ্ণ হৈছে বুলিও সাংবাদিকক জানিব দিয়ে। ৰাজ্য চৰকাৰৰ অৰুনোদয় আচনি আৰু ৰেচন কাৰ্ডৰ হিতাধিকাৰীৰ সম্পৰ্কত গুৰুত্বপূৰ্ণ বৈঠক অনুস্থিত হয়। সাংবাদিকৰ সন্মুখত মন্ত্ৰী দাসে কয়, "পূৰ্বে ওদালগুৰি জিলাত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ হাৰ আছিল মাত্ৰ ৬০ শতাংশ। কিন্তু এইবেলি এই হাৰ ৯০ শতাংশলৈ বৃদ্ধি পালে। ৰাজ্যখনত বৰ্তমান এই হাৰ ৯৫ শতাংশ হৈ আছে যদিও বিগত দিনবোৰৰ তুলনাত জিলাখনৰ বৰ্তমানৰ হাৰে ভাল ফল প্ৰদান কৰিছে। সমান্তৰালভাৱে অসামৰিক যোগান বিভাগত হ'বলগীয়া নতুন ৰেচন কাৰ্ড বিতৰণৰ বিষয়টো সন্দৰ্ভতো আলোচনা কৰা হৈছে।" আজিৰ এই সভাত ওদালগুৰিৰ জিলা আয়ুক্ত পুলপ পাটগীৰি, বিটিআৰৰ পাৰিষদ দীপক মোড়, ভেৰগাঁৱৰ মহকুমাধিপতি ৰিংখাং মছাহাৰীৰ লগতে জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়া তথা বিভাগীয় বিষয়া সকল উপস্থিত থাকে।

## ৭৬ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা
# ইলেভেন ষ্টাৰক হৰুৱাই অইল ইণ্ডিয়া ছেমি ফাইনেলত

**ই-সংবাদ ক্ৰীড়া সেৱা নগাঁও, ৪ ডিচেম্বৰঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা ৭৬ সংখ্যক সৰ্বভাৰতীয় আমন্ত্ৰণমূলক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত ডিফেণ্ডিং চেম্পিয়ন দুলীয়াজানৰ অইল ইণ্ডিয়া ফুটবল ক্লাব ছেমিফাইনেলত উপনীত হৈছে। ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ আজিৰ কোৱাৰ্টাৰ ফাইনেলত অইল ইণ্ডিয়া এফ চিয়ে গ'লৰক্ষক অবিনাশ মেচৰ চমকপ্ৰদ প্ৰদৰ্শনৰ সহায়ত বঙাইগাঁৱৰ ইলেভেন ষ্টাৰ ক্লাবক টাইব্ৰেকাৰত সামগ্ৰিকভাৱে ৪-৩ গ'লত পৰাজিত কৰে। তুমুল উত্তেজনাপূৰ্ণ খেলখনৰ বিৰতিৰ আগমূহূৰ্তত ইলেভেন ষ্টাৰ ক্লাবৰহৈ পেনাল্টিযোগে পাও গিনমুৱানে গ'ল দি নিজ দলক ১-০ গ'লত আগবঢ়াই নিয়াৰ পিছত খেলৰ-৭০ মিনিটত অইল ইণ্ডিয়াৰহৈ মিলন বসুমতাৰীয়ে গ'ল স্ক'ৰৰে খেলখনত সমতা স্থাপিত কৰে। নিৰ্ধাৰিত সময়ত খেলখন ১-১ গ'লত ড্ৰ' হোৱাৰ পিছত টাইব্ৰেকাৰত অইল ইণ্ডিয়াৰহৈ মিলন বসুমতাৰী, টুপু ব্ৰহ্মা আৰু মাণ্ডিলা ৰংমেইয়ে গ'ল স্ক'ৰ কৰাৰ বিপৰীতে ইলেভেন ষ্টাৰৰ হৈ নাগেচ আৰু বেলাৰামেহে গ'ল স্ক'ৰ কৰিবলৈ সক্ষম হয়। খেলখনত অইল ইণ্ডিয়া এফ চিৰ গ'লৰক্ষক অবিনাশ মেচে দৃষ্টিনন্দন প্ৰদৰ্শন দাঙি ধৰে। মনকৰিবলগীয়া যে, আজিৰ খেলখনৰ টাইব্ৰেকাৰত পৰাজয়বৰণ কৰিলেও ইলেভেন ষ্টাৰ ক্লাবৰ খেলুৱৈসকলৰ প্ৰদৰ্শনে নগাঁৱৰ ক্ৰীড়াপ্ৰেমী দৰ্শকক মুগ্ধ কৰে। প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰউদ্দিন আহমেদ মেচ কমিচনাৰৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী আব্দুল মজিদ চৌধুৰীক সহায় কৰে কল্যাণ বৰুৱা, অপূৰ্ব বৰা, শৈলেন ভূঞা (চতুৰ্থ) ই। আজিৰ খেলৰ আৰম্ভণিতে নগাঁও জিলা ক্ৰীড়া বিষয়া প্ৰিতম বৰুৱাক সম্বৰ্ধনা জনোৱা হয়। নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাস আৰু ফুটবল শাখাৰ সম্পাদক প্ৰান্তৰ কুমাৰ ভট্টাচাৰ্যৰ উপৰি আয়োজক সমিতিৰ অন্যতম বিষয়ববীয়া উজ্জল বৰুৱা, অসীম কুমাৰ ভাৰাল, দেৱজিৎ দাস, শুভ্ৰজ্যোতি শইকীয়া, প্ৰচাৰ উপ সমিতিৰ আহ্বায়কদ্বয় মৃনাল কুমাৰ হাজৰিকা আৰু সমীৰ হাজৰিকাই জানিবলৈ দিয়ামতে, কাইলৈৰ কোৱাৰ্টাৰ ফাইনেল খেলত কলকাতাৰ অনুশীলনী দলে মৰিগাঁৱৰ ইণ্টাৰ নৰ্থ ইষ্ট এফ চিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।



**৭৬ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ বুধবাৰৰ খেলৰ এটি উত্তেজনাপূৰ্ণ মুহূৰ্ত, নগাঁৱত**

# চূড়ান্ত বিজয়ী ছুপাৰ ষ্ট্ৰাইকাৰ

**ই-সংবাদ নুমলীগড়, ৪ ডিচেম্বৰঃ** তেলগৰম বিষ্ণুপুৰ যুৱ সংঘৰ বাকৰিত ৪ দিনীয়া কাৰ্যসূচীৰে বিষ্ণুপুৰ যুৱ সংঘ আৰু ৰাইজৰ সহযোগত আয়োজন কৰা প্ৰয়াত চন্দ্ৰ শইকীয়া, প্ৰদীপ গগৈ দেৱজিৎ শইকীয়া সোঁৱৰণীত প্ৰাইজমানি দিবানৈশ ক্ৰিকেট বি উৱাই চি কাপ ২ৰ সফলতাৰে পৰিসমাপ্তি ঘটে। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা নামি-দামী ক্ৰিকেটাৰে প্ৰতিযোগিতাক ভাগ লৈছিল। অৱশেষত গোলাঘাট ৰয়েলছ আৰু ছুপাৰ ষ্ট্ৰাইকাৰ চূড়ান্ত খেলত উপনীত হয়। বিজয়ৰ শেষ হাঁহি মাৰে ছুপাৰ ষ্ট্ৰাইকাৰে। বিজয়ী দলক ট্ৰফি সহ নগদ ৭০০০০ হেজাৰ টকাৰ লগতে কেইবাটাও মেডেল প্ৰদান কৰা হয়।

# তিনিচুকীয়া ৰাজ্যিক গ্ৰন্থমেলাত প্ৰাইজমাণি কুইজ, তৰ্ক প্ৰতিযোগিতা

**ই-সংবাদ, তিনিচুকীয়া, ৪ ডিচেম্বৰঃ** সদৌ তিনিচুকীয়া চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বৌঠকী-সামাজিক-সাংস্কৃতিক সন্থাৰ লগতে তিনিচুকীয়াৰ বৌদ্ধিক সমাজৰ সহযোগত অহা ১০ ডিচেম্বৰৰ পৰা ১৬ ডিচেম্বৰলৈ তিনিচুকীয়া ৰাজ্যিক গ্ৰন্থমেলাৰ প্ৰস্তুতি প্ৰায় তুংগত উঠিছে। উল্লেখ্য যে গ্ৰন্থমেলাৰ আয়োজক সমিতিয়ে ৰাজ্যিক ভিত্তিত দিহা নাম, আন্তঃ মহাবিদ্যালয় প্ৰাইজমানি কুইজ আৰু তৰ্ক প্ৰতিযোগিতাৰো আয়োজন কৰিছে। মন কৰিবলগীয়া যে কুইজ প্ৰতিযোগিতা কেৱল ৰাজনীতি বিষয়ক আৰু তৰ্ক প্ৰতিযোগিতাৰ বিষয়ঃ সদনৰ মতে- ভাৰতীয় শিক্ষা ব্যৱস্থাই প্ৰকৃত মানৱ সম্পদ সৃষ্টি কৰাত ব্যৰ্থ হৈছে,' ৰখা হৈছে। গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি গ্ৰন্থমেলাৰ কেউটা দিনত কবি সমাৰোহ, আলোচনা সত্ৰ, বিদ্যালয়সমূহৰ প্ৰতিযোগিতামূলক সাংস্কৃতিক অনুষ্ঠান, সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কালি তিনিচুকীয়া চহৰৰ বৰদলৈ নগৰত অৱস্থিত তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সাংস্কৃতিক প্ৰকল্পৰ সমুখভাগত গ্ৰন্থমেলাৰ লাইখুঁটা স্থাপন কৰা হয়। লাইখুঁটা স্থাপন কাৰ্যসূচীত ভাগ লয় শ্ৰী শ্ৰী আদৰ্শ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰী মুন মুন দেৱগোস্বামীয়ে। ইয়াৰ লগতে উক্ত কাৰ্যসূচীত তিনিচুকীয়া জিলাৰ বিভিন্ন জাতীয়-জনগোষ্ঠীয় সংগঠনৰ নেতৃবৰ্গ উপস্থিত থাকে। প্ৰতিযোগিতা আৰু অন্যান্য ক্ষেত্ৰত ৮৬৩৮৫৯১৪০১, ৯১০১০০৯৯৬৮, ৮০১১৪৬৪০৭৩ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি জনাইছে আয়োজকে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি